
বিজ্ঞান

# শিখা

হাতেলিখা আলোচনী
অসমীয়া বিভাগ
শিৱসাগৰ ছোৱালী কলেজ
২০১৬ বৰ্ষ

# 'শিপা'ৰ আঁৰত ...

উপদেষ্টা :- অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকল

সম্পাদনা :- অদিতি মহন্ত
পাপৰি বড়া

বেটুপাত আৰু অলংকৰণ :- ৰ'দালি চেতিয়া

অনুলিখন :- কংকনা বৰগোহাঁই
অনামিকা বৰুৱা
ৰ'দালি চেতিয়া
পাপৰি বড়া

কৃতজ্ঞতা :- ধনাত্মক চিন্তা, পৰামৰ্শ আৰু সহায়-সহযোগিতাৰে 'শিপা'ৰ সৈতে জড়িত সকলোলৈকে ... ।

# উৎসৰ্গ




শিৱসাগৰ ছোৱালী কলেজৰ জন্মলগ্নৰে পৰা আজিপৰ্যন্ত যিসকল পৰম পূজনীয় শিক্ষাগুৰুৱে শিক্ষাদানৰ দৰে এক পৱিত্ৰ কৰ্মৰে অগণন ছাত্ৰীক পোহৰৰ বাট দেখুৱাই আহিছে সেইসকল শিক্ষাগুৰুৰ চৰণত আন্তৰিক শ্ৰদ্ধাৰে আমাৰ এই ক্ষুদ্ৰ উপহাৰ 'জিপা' উৎসৰ্গ কৰিলো।

~ সম্পাদনা সমিতি



# সম্পাদকীয়...



"Man doesn't live by bread alone."

মানুহৰ সৰ্বতোমুখী বিকাশৰ বাবে শাৰীৰিক আহাৰৰ লগতে মানসিক পুষ্টিৰো প্ৰয়োজন। মানসিক শান্তিৰ আধাৰ হৈছে সুস্থ মানসিক অৱস্থা, চিন্তা আৰু অনুভূতিসম্পন্ন দৃষ্টিভংগী। হেজাৰ হেজাৰ বছৰ আগতেই ভাৰতীয় মনিষীসকলে এই কথা উপলব্ধি কৰিয়েই কৈ গৈছে-

" সাহিত্য সংগীত কলা বিহীনঃ
সাক্ষাৎ পশুঃ পুচ্ছ বিষাণহীনঃ
তৃণংন খাদন্নপি জীৱমানঃ
তদ্ভাগধেয়ং পৰমং পশুনাম ॥"

কিন্তু বৰ্তমান ভোগসৰ্বস্ব পৃথিৱীত আমি যেন হেৰুৱাই পেলাইছো আমাৰ অস্তিত্ব! বিজ্ঞান আৰু প্ৰযুক্তিৰ এই জগতত যেন লীন হৈ গৈছে আমাৰ ইতিহাস, ভাষা-সংস্কৃতি তথা স্বকীয় জীৱনশৈলী। এনে এশ-এবুৰি কিয়ে আজিকালি স্থান পায় আমাৰ 'অফ পিৰিয়ড'ৰ 'আড্ডা'ত। অত্যুৎসাহীসকলৰ এনে চিন্তা আৰু চেতনাৰেই ফচল বুলি ক'ব লাগিব আমাৰ এই হাতেলিখা আলোচনী 'শিখা'। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ এই যুগত হাতেলিখা আলোচনীৰ প্ৰাসংগিকতাত ক্ষেত্ৰ সংকুচিত হ'লেও 'শিখা'ক জন্ম দিয়াৰ মিঠা অনুভূতি সঁচাকৈয়ে অবৰ্ণনীয়।

অনিচ্ছাকৃতভাৱে যি সোমা ভুল-ভ্ৰান্তিবোৰৰ বাবে ক্ষমা বিচাৰিছো আপোনালোকৰ ওচৰত।

~ অদিতি মহন্ত

# সূচীপত্ৰ

## প্ৰবন্ধ


| | | |
|---|---|---|
| • মহাপুৰুষজনাৰ অপূৰ্ব সৃষ্টি : অংকীয়া নাট | অদিতি মহন্ত | ১ |
| • মহাপুৰুষ শংকৰদেৱৰ কাব্য-প্ৰতিভাৰ এটি চমু আলোকপাত | মৈত্ৰেয়ী বৰুৱা | ৬ |
| • অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু আমাৰ সমাজ | পাপৰি বড়া | ৯ |
| • সাম্প্ৰতিক অসমৰ প্ৰতিচ্ছবি | মৌচুমী চুতীয়া | ১৩ |
| • অসমীয়া লোক-সংস্কৃতিত 'বাথৌ' পূজা | বিভা বৰগোহাঞি | ১৫ |
| • লোক-বিশ্বাসৰ প্ৰতীক 'আইনাম' | দীপশিখা চুতীয়া | ১৭ |
| • অসমীয়া ফঁকৰা-যোজনাত নাৰী | অনামিকা বৰুৱা | ২১ |
| • বিলুপ্তিৰ পথত ঢেঁকীশাল | ৰঞ্জুমণি বড়া | ২৪ |
| • ৰঙালি : ভাষা-প্ৰযুক্তি বিকাশ পৰিষদ, অসম | ৰাজশ্ৰী বৰা | ২৮ |
| • সময়ৰ সদ্ব্যৱহাৰ | দিশা বৰুৱা | ৩১ |
| • বন্ধুত্ব : এক মিঠা অনুভূতি | বন্দিতা বড়া | ৩৩ |


## কবিতা


৩৬ — ৪৩


## গল্প


| | | |
|---|---|---|
| • অন্তহীন অপেক্ষা | ৰঙালি চেতিয়া | ৪৪ |
| • সঁচা- মৰম | শোভাশ্ৰী চুতীয়া | ৫০ |

# প্ৰবন্ধ

প্ৰবন্ধ লেখক তেওঁৰ
নিজৰ ধৰণেৰে জীৱনৰ ভাষ্যকাৰ...
জীৱনৰ সমালোচক...।
জীৱনক তেওঁ ইতিহাসবিদ, দাৰ্শনিক,
কবি অথবা ঔপন্যাসিকৰ চকুৰে নাচায়;
অথচ তেওঁৰ সৃষ্টিত এই সকলোবোৰৰে
পৰশ আছে।

# মহাপুৰুষজনাৰ অপূৰ্ব সৃষ্টি : অংকীয়া নাট

অদিতি মহন্ত

অসমত খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষভাগত আৰম্ভণি লাভ কৰা নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰখাৰ চেষ্টা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অভিনৱ সৃষ্টিয়েই হ'ল অংকীয়া নাট। অংকীয়া নাট অসমীয়া নাট্যসাহিত্যৰ ইতিহাসত প্ৰথম লিখিত পূৰ্ণাংগ নাট। ইয়াৰ আগতে অসমত কোনোধৰণৰ লিখিত নাটৰ নিদৰ্শন পোৱা নাযায় যদিও পুতলা নাচ, কুশান গান, ওজাপালি আদিৰ দৰে কিছুমান লোকনাট্যধৰ্মী অনুষ্ঠানৰ প্ৰচলনৰ উমান পোৱা যায়।

দাক্ষিণ ভাৰতত প্ৰথম উদ্ভৱ হোৱা ভক্তি আন্দোলনে অসমত শ্ৰীশংকৰদেৱৰ নেতৃত্বতে প্ৰসাৰ ঘটে। এই আন্দোলনৰ জৰিয়তে জনসাধাৰণৰ মানসপটত যি এক নতুন আধ্যাত্মিক চেতনা জাগ্ৰত কৰিছিল সিয়ে অসমৰ সাহিত্য, কলা, সংস্কৃতিৰ ক্ষেত্ৰখনকো মহিমামণ্ডিত কৰি তুলিছিল। এই ভক্তি আন্দোলনৰ জৰিয়তে জনসাধাৰণৰ মনত ভক্তিৰ ভাব জগাই তুলিবলৈ অনেক কাব্য, নাট, গীত আদি ভক্তি সাহিত্যৰ সৃষ্টি কৰে।

গুৰুজনাই ওজাপালি, পুতলানাচ, কুশানগান আদিক সমল হিচাপে লৈ সংস্কৃত নাটৰ আৰ্হিত

আন্তীয় ভাষাত প্ৰথম নাট ৰচনা কৰে। গুৰুজনাই ছখন নাট ৰচনা কৰে। পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ আৰু ৰামবিজয়। গুৰুজনাই এই নাটকেইখন ৰচনাৰ আগতে প্ৰথমবাৰ তীৰ্থভ্ৰমণৰ পিছত তেওঁ 'চিহ্নযাত্ৰা' নামৰ এখনি ভাওনা অনুষ্ঠিত কৰে। এই ভাওনাখনি লিখিত ৰূপ বা সংলাপবিহীন হোৱাৰ বাবে পুনৰাভিনয় হোৱাত অসুবিধা হৈছিল। সম্ভৱতঃ গুৰুজনাই পাছৰ নাটকেইখন ৰচনাত গুৰুত্ব দিছিল। চৰিত পুথিত উল্লেখ আছে যে, শংকৰদেৱে কপিলীমুখৰ কমাৰৰ ইত্ৰাই খোল গঢ়াই নতুন সূত্ৰধাৰক গীত-মাত শিকাই, ভাওনাৰ বাবে প্ৰয়োজনীয় মুখা, ৰভাঘৰ, চোঁ-ঘৰ আদিৰ নিৰ্মাণ কৰিছিল। তুলাপাতত সপ্ত বৈকুণ্ঠৰ পট আঁকি সেইমতে স্থাপন কৰাৰ লগতে অভিনয়ৰ বাবে উপযোগীকৈ ধেমালি, ঘোষা, ভটিমা, শ্লোক আদিৰ ৰচনা কৰিছিল। এনেদৰেই গুৰুজনাই সভাঘৰ পোহৰ কৰি ৰাখিবৰ বাবে আগিয়া-অগ্নিগড়ৰ সৃষ্টি কৰি তাৰ মাজেদি সূত্ৰধাৰৰ প্ৰৱেশ ঘটাই নাট-ভাওনাৰ আৰম্ভ কৰে।

অংকীয়া নাট-ভাওনা অভিনয়ৰ মাজতে মহাপুৰুষজনাৰ সমাজদৰ্শনৰ সমস্ত তত্ত্ব সংপৃক্ত হৈ থকা দেখা যায়। সমাজৰ উচ্চ-নীচ, জাতিবৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকক ভাওনাৰ লগত জড়িত কৰি শংকৰদেৱে লোকৰঞ্জন লোকশিক্ষা প্ৰদান কৰাৰ উপৰিও লোকসংগ্ৰহৰ যোগেদি-

বৃহৎ অসমীয়া সমাজৰ বাবে অংকীয়া কৰি তুলিলে। উদাহৰণ স্বৰূপে —

সপ্তৰসে নাটকৰ ৰচনা কৰয়।
শুনিয়োক সন্তাৰিৰ্ব নাহি অন্বয়॥
গায়ন-বায়ন সবে সভা জয় কৰে।
সূত্ৰ নাট্যগণে ৰসিকৰ মন হৰে॥
পণ্ডিতে বুজিবে শ্লোক কবিলা বচন।
গীত অৰ্থ বুজিবেক দ্বিজ সভ্য গণ॥
ব্ৰজাৱলী ভাষাক বুজিবে প্ৰাৰ্থীলোকে।
ছোঁ মুখা দেখিবেক অজ্ঞ মূঢ় লোকে॥
শুদ্ধ বা অশুদ্ধ ভমাপাতে কৃষ্ণ নাম।
এহি সপ্তৰস নাটৰ অনুপাম॥

অংকীয়া নাটসমূহত কেইটামান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। সূত্ৰধাৰৰ প্ৰাধান্য, কাব্যধৰ্মী শ্লোক আৰু পয়াৰৰ আধিক্য, ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ, লয়যুক্ত গদ্যৰ ব্যৱহাৰ, সংগীত, নৃত্য ইত্যাদি।

অংকীয়া ভাওনাৰ পৰিবেশনশৈলী সুন্দৰ ভাৱে শংকৰদেৱে উপস্থাপন কৰিছিল। এই নাটসমূহৰ মূল উদ্দেশ্য কৃষ্ণ মহাত্ম্য প্ৰকাশক লীলাসমূহ দৃশ্যৰূপত উপস্থাপন কৰি জনসাধাৰণক ধৰ্মৰ প্ৰতি আকৃষ্ট কৰা আৰু ইয়াৰ গৌণ উদ্দেশ্য হৈছে দৰ্শকক মনোৰঞ্জন দান কৰা।

ভাওনা আৰু অভিনয়ৰ বাবে ওখ মঞ্চ ব্যৱহাৰ কৰা নহয়। কীৰ্ত্তন ঘৰ বা মুকলি ঠাইতহে ভাওনা অনুষ্ঠিত হয়। ভাওনাৰ কিছুদিনৰ পূৰ্বে ৰাইজ নামঘৰ বা কীৰ্ত্তনঘৰত একত্ৰিত হৈ গুৰু-জনা, নৈবেদ্যৰে ভগৱন্তৰ চৰণত নিবেদন কৰি নামকীৰ্ত্তন কৰি যোগ্যজনক ভাও বিতৰণ কৰে। এনেদৰে নাটখনিৰ শ্লোক আৰু গীতেৰে নাট মেলা কাৰ্য আৰম্ভ কৰে। ভাওনাৰ দিনা মাণনাৰ আগত নৈবেদ্যৰ কাৰণে ভগৱানৰ উদ্দেশ্যে আগবঢ়াই নামকীৰ্ত্তন কৰে। অভিনয়ৰ বাবে ব্যৱহাৰ হোৱা নামঘৰ বা ৰভাঘৰৰ ওপৰত চন্দ্ৰতাপ আদি নানাবিধৰ ফুলপাতেৰে নামঘৰৰ গা-ঘৰটো সজোৱা হয়। আনুষ্ঠানিক প্ৰসংগ আদিৰ অন্তত চোঁ ঘৰত ভাৱৰীয়া সকলৰ সাজি-কাচি সাজু হোৱাৰ পাছত গায়ন-বায়নে ঢোল-শংখ-হৰিধ্বনিৰে মাংগলিক পৰিৱেশ এটাৰ সৃষ্টি কৰি ভাওনা আৰম্ভ কৰে। ইয়াৰ লগে লগে নৱবিধ ভক্তিৰ প্ৰতীক ন গছ শলা বন্তি জ্বলি থকা অগ্নিগড়ৰ তালাদি শ্ৰৱণ-কীৰ্তনৰ প্ৰতীক দুটি তালিয়াসহ হৰিধ্বনি কৰি গায়ন-বায়নে খলাত প্ৰৱেশ কৰে। প্ৰথমে চাৰিবস্তু গুৰু, দেৱনাম, ভকতক আশ্ৰয় কৰি জোৰনী; নৱবিধ ভক্তিৰ প্ৰতি ন খন চাক্নী গোৱা হয়। গুৰু বন্দনা কৰি ৰাগধেমালি; ঘোষাধেমালি আদি গোৱাৰ নিয়ম; বাজনাৰ মাংগলিক ছন্দৰ তালে তালে ভৰি মান দি গায়ন-বায়নে নৃত্য কৰা দৃশ্য অপূৰ্ব। গায়ন-বায়নৰ পৰৱৰ্তী ভাওনাৰ অপৰিহাৰ্য চৰিত্ৰ সূত্ৰধাৰে প্ৰৱেশ কৰি নান্দী শ্লোকেৰে মূল নাট আৰম্ভ কৰে। সূত্ৰধাৰ ভাওনাৰ আৰম্ভণিৰে

দৰা শেষলৈকে উপস্থিত থাকি ভাওনা সমাপ্ত কৰে। সূত্ৰধাৰৰ পাছতে কৃষ্ণ বা বিষ্ণু খলাত প্ৰৱেশ কৰে আৰু ইয়াৰ লগে লগে দবা-শংখ-উৰুলিৰ ধ্বনি দিয়া হয়। ইয়াতে, সমূহ ৰাইজে প্ৰণাম জনায়। চৰিত্ৰসমূহে প্ৰৱেশৰ গীত আৰু খোল-তালৰ চেৱে চেৱে নৃত্য ভংগিমাত ৰভাঘৰত প্ৰৱেশ কৰে। ভাওনাত পুৰুষকহে অভিনয় কৰিবলৈ দিয়া হৈছিল। স্ত্ৰী চৰিত্ৰ সমূহো পুৰুষেই স্ত্ৰীবেশত সাজি অভিনয় কৰিছিল। নাৰীক অভিনয়ত ভাগ লবলৈ দিয়া হোৱা নাছিল। ভাওনাত চৰিত্ৰ বিশেষে সাজসজ্জা বেলেগ বেলেগ। বৰাহ, গৰুড়, ব্ৰহ্মা, গণেশ, ৰাৱণ আদি চৰিত্ৰৰ ক্ষেত্ৰত মুখা ব্যৱহাৰ কৰিছিল গুৰুজনাই। এই মুখা সমূহ গুৰুজনাই বাঁহৰ কামি, কাঠ, কাগজ, হেঙ্গুল-হাইতাল আদিৰে সাজিবলৈ শিল্পসকলক নিয়োজিত কৰিছিল।

ভাওনাত প্ৰয়োজন হোৱা আহিলা, সা-সৰঞ্জাম, অভিনয়ৰ বাবে খোল, তাল, মৃদংগ, অস্ত্ৰ-শস্ত্ৰ, মুকুট আদিৰ জৰিয়তে এই সামগ্ৰীসমূহৰ সৃষ্টি কৰাই অসমৰ সংস্কৃতিৰ পথাৰখন চহকী কৰাৰ প্ৰয়াস কৰিছিল।

গুৰুজনাৰ দৰে যুগান্তকাৰী ব্যক্তিসমূহে "সৰ্বজন হিতায় সৰ্বজন সুখায়" এনে পৰিচালিত সমাজ গঠনত যথেষ্ট অৱদান আগবঢ়াই গৈছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কাব্যপ্ৰতিভাৰ এটি চমু আলোকপাত

— মৈত্ৰী বৰুৱা
প্ৰাক্তন ছাত্ৰী

"জয় গুৰু শংকৰ সৰ্বগুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণকো ৰেণু শতকোতি
বাৰেক কৰোঁহো প্ৰণাম।"

যিসকল লোকে পৃথিৱীত জন্ম গ্ৰহণ কৰি মানৱ জাতিৰ কল্যাণৰ হকে জীৱন উৎসৰ্গা কৰে, যিসকল লোকে মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক তিনিওটা দিশ উৎকৰ্ষ সাধনৰ চিন্তা কৰি মংগলময় বাণীৰে সমাজত শান্তি শৃংখলা ৰক্ষা কৰাত জীৱন জুৰি চেষ্টা চলায়, সেই সকলেই মহাপুৰুষ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ১২ বছৰ বয়সত মহেন্দ্ৰ কন্দলিৰ টোলত নামভৰ্তি কৰি 'ক' ফলাখিনি শিকিয়েই তেওঁৰ যি অফুৰন্ত মেধা, প্ৰজ্ঞা আৰু প্ৰতিভাৰ পৰিচয় দিছিল সি সঁচাকৈয়ে অবিস্মৰণীয়। শংকৰদেৱৰ ছাত্ৰ জীৱনৰ প্ৰতিভাৰ অবিস্মৰণীয় স্বাক্ষৰ বহন কৰে 'আ' কাৰ 'ই' কাৰহীন এইফাঁকি মনোৰম,

ভাৰগম্ভীৰ ভগৱৎস্তোত্ৰটি :

"কৰতল কমল কমলে দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন॥
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়॥
খৰতৰ বৰশৰ হত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন॥
জগদঘ মপহৰ ভৱ ভয়তৰণ।
পৰপদ লয়কৰ কমলজ নয়ন॥"

কবিতাফাঁকিৰ ব্যাখ্যা এনেধৰণে দাঙি ধৰিব পাৰি —

"হাতৰ তলুৱাত পদুম ফুল, পদুমৰ দৰে চকু। তেওঁ সংসাৰৰ ধ্বংস বিনাশ কৰে, অনন্তশয্যাত শয়ন যাৰ।"

যাৰ চৰণে মাটি নুছুৱাকৈ খোজ কাঢ়িব পাৰে। যি সকলো ভয়ক নির্ভয় কৰিব পাৰে॥ যিজনে বৰশৰে দশানন ৰাৱণক বধ কৰে। গৰুড়ৰ পিঠিত ভ্ৰমণ কৰি যিজনে সাপৰ ফনাত শোৱে॥

"যিজনে এই জগতত ভয় নিবাৰণ কৰে। সেই পৰম পদত নিজকে লয় কৰো॥ সেই কমল নয়নক প্ৰণাম কৰো।"

কবিতাফাঁকিৰ প্ৰতিটো শব্দৰ মৰ্ম


মৰ্মে শংকৰদেৱৰ মনীষাৰ চূড়ান্ত নিদৰ্শন প্ৰতিফলিত হৈছে।

কবিতাফাঁকিৰ জৰিয়তে ভগৱান শ্ৰীকৃষ্ণৰ দেহাৱয়বৰ বৰ্ণনা কৰাৰ লগতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাৰ পৰা আৰম্ভ কৰি বিনাশকৰ্তা হৈলেও তেওঁৱেই যে সৰ্বনিয়ন্তা, সৰ্বশক্তিমান শংকৰদেৱে কবিতাটোৰ জৰিয়তে সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। উক্ত কবিতাফাঁকি ৰচনা কৰি মহাপুৰুষ জনাই অতি কম সময়ৰ ভিতৰতে চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ঐৰপুৰাণত ব্যুৎপত্তি লাভ কৰি বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় দিছিল।


কিন্তু মহাপুৰুষ শংকৰদেৱৰ শৈশৱৰ পাণ্ডিত্যৰ পৰিচয় বহন কৰা কবিতাফাঁকিৰ বিস্তৃত ব্যাখ্যা আমি বৰ্তমান সময়লৈকে অপৰ্যাপ্তকৈ দেখিবলৈ পোৱা নাই। শংকৰদেৱৰ পৰৱৰ্তী কালৰ ৰচনাসমূহ যিদৰে অসমীয়া সাহিত্য সংস্কৃতিৰ অপৰিহাৰ্য সম্পদ, ঠিক তেনেদৰে তেওঁৰ শৈশৱৰ কবিতাটোৰ মূল্যও কোনো গুণে কম নহয়। যদি কবিতাফাঁকিৰ অতি সম্যক আলোচনা পাঠ্যৰে সমাজৰ আগত দাঙি ধৰা হয়। হয়তো কবিতাফাঁকিয়ে বিলুপ্তিৰ গৰাহৰ পৰা উদ্ধাৰ পাব, লগতে উঠি অহা প্ৰজন্মৰ বাবেও সুবিধা হ'ব।

# অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু আমাৰ সমাজ

— পাপৰি বড়া
স্নাতক পঞ্চম ষাণ্মাসিক



বৰ্তমান দেশৰ সাম্প্ৰতিক পৰিস্থিতি সেতি ভয়াবহ ও অগ্নিগৰ্ভ। বৰ্তমান অসমত হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণ আদি ঘটনা সম্বন্ধে বাতৰি কাকতসমূহৰ শিৰোনাম দখল কৰাটো সকলো লোকৰ বাবে সাধাৰণ ঘটনাত পৰিণত হৈছে। প্ৰায়ে বহুতো ব্যক্তিৰ মুখত এই ঘটনাৰ বিৰক্তি বোধ প্ৰকাশ পোৱাও দেখা যায়। সেই বাবে কিছু কিছু লোকে বাতৰি কাকত পঢ়া বাদ দিছো বুলি কোৱাটো শুনা যায়। বাতৰি-কাকত পঢ়া বাদ দিয়াটো আচলতে বিকল্প নহয়। তাৰ বিপৰীতে অসমবাসীয়ে চিন্তা কৰাৰ সময় যে সোণৰ অসম কেনেকুৱা আছিল? এতিয়া কি হল .......?, কিয় হল .......? আৰু কেনেকৈ হল .......? গুৰুত্ব সহকাৰে চিন্তা কৰাৰ সময় অৱশ্যে পাৰহৈ গৈছে। হলেও এতিয়া সময় শেষহৈ যোৱা নাই শান্তি ঘুৰাই অনাৰ বাবে.......।



আজি অসমত এনে এটা দিন নাই, যিটো দিনত অসমৰ মাটিত অসমৰ আহাৰ,

পানী খাই ডাঙৰ হোৱা কোনো যুৱকক হত্যা
কৰা হোৱা নাই ........ বৰ্তমান অসমত এনে
এটা দিন নাই যিটো দিনত অসমৰ মানুহে
হাড়ক মাটি কৰি, তেজক পানী কৰি কৰা
কষ্টোপাৰ্জিত সম্পদ লুণ্ঠন কৰা হোৱা নাই।
এনে এটা ৰাতি নাই যিটো ৰাতি নিশ্চিন্ত
মনেৰে অকলশৰীয়া মহিলাই টোপনি যাব
পাৰিছে ....... আৰু এনে এটা সময় নাই
যিটো সময়ত এগৰাকী নাৰীয়ে অকলশৰে
ৰাজপথত বিনা সংশয়ত যাব পাৰিছে ....
.....!! তাৰওপৰি অসমবাসীৰ বাবে অতি
লজ্জাজনক বিষয় ....... অসমীয়া নাৰীয়ে অতি
যতনে ৰখা সতীত্ব হৰণ কৰাৰ উদাহৰণৰ
কোনো সীমা নোহোৱা হৈছে। চলি আছে
দিনৰ পাছত দিন ......, ৰাতিৰ পাছত
ৰাতি নাৰীৰ ওপৰত অত্যাচাৰ যিমানেই সংবাদ
মাধ্যমসমূহ সচেতন হৈছে সিমানেই ধৰ্ষণকাৰী
আৰু হত্যাকাৰীৰ প্ৰৱণতাৰ সংখ্যা বৃদ্ধি পাইছে।
এনে কোনো দুই - এক প্ৰমাণ সহিতে ধৰি
নিয়া হৈছে যদিও প্ৰশাসন বিভাগৰ গাফিলতাৰ
বাবে সিও নিজক সংশোধন কৰাৰ সময়কণ
পোৱাৰ আগতে মুকলি আকাশৰ তলত ঘূৰি
ফুৰিবলৈ সুযোগ পাইছে। তেনে অপৰাধীয়ে

পুনৰ অপৰাধ যে নকৰিব তাৰ কিমান বিশ্বাস দিব প্ৰশাসনে আমাক .......?

এই সকলোবোৰ দিশলৈ এবাৰ চকু ফুৰালে স্বাভাৱিকতে বহু প্ৰশ্নই মূৰ দাঙি উঠে ...... মানুহৰ মাজত আচলতে কিহৰ ত্ৰাস পাইছে? এনে ভংসনাৰ অধিকাৰী হ'বলৈ তেওঁ লোকে কিয় ইমান ইচ্ছুক ....? অপৰাধীৰ দেশ আৰু সমাজৰ প্ৰশাসন ব্যৱস্থাৰ প্ৰতি কিয় ভয় নোহোৱা হৈছে? নে প্ৰশাসনে লাহে-লাহে নিজৰ পৰিচয় হেৰুৱাৰ পথত.... .........???

কিন্তু কিয়, কিয় অসমৰ চৰকাৰ, প্ৰশাসন, বাইজ তথা বিভিন্ন ৰাজনৈতিক দল সংগঠন সমূহে এইবোৰ ঘটনাবোৰ কৰিব পৰা নাই। কিয় আমি এইবোৰ ঘটনা নিজ চকুৰে দেখিও নীৰৱে সহিব লগা হৈছে ........ কিয় ......? কিয় ......? প্ৰত্যেকে নিজেই নিজক এবাৰ প্ৰশ্ন কৰিব লগা হ'ল আমি সকলো একেই তেজ মঙহৰে তৈয়াৰি নহয়নে .....?

কিন্তু এতিয়া জোঁৰ পুৰি হাত পালোহি, এতিয়া অসম ৰসাতলে যাঁও যাঁও। কিন্তু ক'ত গল এতিয়া বিশ্বজয়ী মোগলক ধ্বংস কৰিব পৰা অসমীয়াৰ সেই সাহস, বীৰত্ব, দেশমাতৃৰ বাবে বিনা দ্বিধায়ে হাঁহি হাঁহি প্ৰাণ বিসৰ্জন দিব পৰা দেশপ্ৰেম। নিশ্চয় সেই প্ৰেম, মানবীয়তা, সাহস আজিও শেষ হৈ যোৱা নাই। মাথোঁ উপযুক্ত ব্যৱহাৰ কৰিব জনা নাই। তাহানিৰ সেই আমাৰ অসমৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰিব নোৱাৰাটো - অসমবাসীৰ বাবে এক লজ্জাৰ বিষয়। সেই আদৰ্শৰ অন্তৰালত বহুজনৰ কষ্ট, নিষ্ঠা, মহান ত্যাগ আৰু মহান আদৰ্শ লুকাই আছে। আৰু আমি সকলোৱে এবাৰ অন্তৰৰে - হৃদয়ংগম কৰা উচিত।

---

? শিৱসাগৰৰ পুৰণি নাম 'কলঙ্কুপাৰ'।
এই 'কলঙ্কুপাৰ' শব্দটো সংস্কৃতমূলীয়। ইয়াৰ উৎপত্তি 'কলশ' শব্দৰপৰা হৈছে। 'ক' মানে পানী, লাশ অল মানে আৱৰি ধৰি থকা অৰ্থাৎ জলপাত্ৰ বা জল প্ৰবাহ।

# সাম্প্ৰতিক অসমৰ প্ৰতিচ্ছবি

– মৌচুমী ভূঞা
প্ৰাক্তন ছাত্ৰী

শস্য-শ্যামলা, ঐতিহ্যৰে ভৰা অসম আজি প্ৰাকৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সকলো দিশৰে পৰা জুৰুলা। অসমৰ মানুহৰ সুখ-শান্তি, সমৃদ্ধি যেন কঁৰবাত নিঃশেষ হৈ গৈছে।

বৰ্তমান অসমত বানপানী, গোষ্ঠী সংঘৰ্ষ, যুৱ-উচ্ছৃংখলতা, ডাইনী-হত্যা আদি জ্বলন্ত সমস্যা। মহানগৰীৰ বাহিৰেও কৃত্ৰিম বানত জ্বলাকলা মাৰিছে। আনহাতে, ধেমাজী, লখিমপুৰ আদি নৈপৰীয়া জিলাত বসবাস কৰা লোকসকলক প্ৰতিবছৰে বানপানীত হাঁহ নচৰা অৱস্থা কৰি আহিছে। আমাৰ ৰাজ্যৰ ৰাজনীতিকসকলে জাতি-উন্নয়ন, আৰ্থিকভাৱে পিছপৰা অঞ্চললৈ উন্নয়নৰ নামত কোটি কোটি আবণ্টিত ধন আত্মসাৎ কৰাৰ প্ৰতিযোগিতাত ব্যস্ত। এইসকল স্বাৰ্থপৰ লোকে নিৰ্বাচনৰ সময়ত মিছা প্ৰতিশ্ৰুতি দি বহুমূলীয়া ৰাইজৰ ভোট সংগ্ৰহ কৰি জয়ী হোৱাৰ পিছত ৰাইজলৈ পিঠি দিয়াটো যেন আজি অসমৰ চিৰপৰিচিত ঘটনা।

গোষ্ঠী সংঘৰ্ষৰ নামত সেই দিনা অসমত তেজৰ নৈ বৈ গ'ল। জনসাধাৰণ সজাগ হৈ সুস্থ মানসিকতাৰে

এই সমস্যাবোৰৰ স্থায়ী সমাধান উলিয়াবই লাগিব। অন্যথা হত্যা- হিংসাৰ দাবানলে ছাই কৰি পেলাব সোণৰ অসম: ভূমি।

পুৱা বাতৰি- কাকতখন মেলিলেই মৃত্যুৰ বাতৰি, বোমা- বিস্ফোৰণ, বিদেশীৰ অনুপ্ৰৱেশ, যুৱ- উচ্ছৃংখলতা আদি অশুভ খবৰবোৰে মন ভাৰাক্ৰান্ত কৰি তোলে। উৰন্ত বেগত বাইক- চলোৱা, নাৰীক অশ্লীল ব্যৱহাৰ কৰা আদিবোৰ আজি অসমৰ এক চিৰপৰিচিত ছবি। অৱশ্যে নাৰী সংক্ৰান্তীয় ঘটনাবোৰৰ বাবে কেৱল এচাম উদণ্ড যুৱকক আমি জগৰীয়া কৰিলে ভুল হ'ব। অশালীন সাজ- পোচাকেৰে, উদণ্ড আচৰণেৰে নিশা দুপৰলৈকে ঘূৰি- ফুৰা এচাম যুৱতীও এইক্ষেত্ৰত সমানেই দায়ী।

সজাগ হ'বৰ হ'ল আমি। আমি প্ৰত্যেকেই সুস্থ চিন্তাধাৰাৰে নিজকে সুপথে পৰিচালিত কৰিব লাগিব। বিশেষকৈ আজিৰ নতুন প্ৰজন্মই দেশৰ একোজন সুনাগৰিক হৈ মুক্ত কণ্ঠৰে দুৰ্নীতি, ভ্ৰষ্টাচাৰ, হত্যা, লুণ্ঠন আদিৰ বিৰুদ্ধে মাত মাতিব লাগিব আৰু অসমখনক এখন নিৰাপদ আৰু দুৰ্নীতিমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবৰ বাবে সকলোৱে ঐক্যবদ্ধ হ'ব লাগিব।

# অসমীয়া লোক-সংস্কৃতিত বাইথ' পূজা

— ত্ৰিভুজ বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী

বাইথ' শব্দৰ অৰ্থ হৈছে খ+ৰ+ঈ = খৰয়, খ্ৰীং। অৰ্থাৎ চাৰি মূৰ্তি জীৱৰ প্ৰাণকৰ্তা। ফাগুন মাহৰ শিৱৰাত্ৰিৰ পাছত দৌল পূৰ্ণিমা হয়। সেই পূৰ্ণিমাৰ দ্বিতীয় সোমবাৰটোত বাইথ' পূজা অনুষ্ঠিত কৰা হয়। সকলো ধৰণৰ মানুহে এই পূজা পালন কৰিব পাৰে যদিও মূলতঃ এই পূজা সোণোৱাল কছাৰীসকলৰহে। সাধাৰণতে সোণোৱালসকলৰ আৰাধ্য দেৱতা দেৱাদিদেৱ শিৱক উদ্দেশ্য কৰি বাইথ' পূজা কৰা হয়।

বাইথ' কছাৰীসকলৰ জাতীয় সংস্কৃতি। অতীজৰেপৰা বাইথ'ৰ মূল থানখন 'ঢেঙৰী' অঞ্চলৰ বৰপথাৰত আছে। বাইথ' পূজা পালনৰ কিছুমান নিৰ্দিষ্ট নিয়ম-নীতি আছে। সাজ পাৰৰ ক্ষেত্ৰত পূজাৰীসকলৰ বাদে অন্য লোকসকলে নিজ ইচ্ছা অনুসৰি সাজ পাৰিধান কৰিব পাৰে। পূজাৰী আৰু ভকতসকলে শুদ্ধ বগা কাপোৰেৰে মূৰত পাগুৰী মাৰিব লাগে। চাৰিমূৰ্তি জীৱ (অৰ্থাৎ উৰণ, বুৰণ, গজন আৰু ভ্ৰমণ) ৰ কল্যাণৰ অৰ্থে এই পূজা পালন কৰা হয়।

বাইথ' পূজাৰ মন্দিৰটো সজাৰ কিছুমান নিয়ম এনেধৰণৰ - মূল মূৰ্তিৰ সুৱিত লাখিমীৰ ন-ভনীৰ উদ্দেশ্যে

চাকি জ্বলাৰ পৰাকৈ ব্যৱস্থা কৰা হয়। তাৰ বাবে চাৰি মূৰ্তমান ওখকৈ ন-টা কোণ থকা বেৰ দিয়া হয়। মন্দিৰটো সাজিবৰ বাবে স্থূল স্তূপটোৰ ওপৰি ছটা কুম্ভৰ স্তূপ থাকে। ইয়াৰ ওপৰিও সাতটা স্থূল স্তূপ, চৈধ্যটা পালি স্তূপ, তিনিখন চাল দি মন্দিৰ প্ৰৱেশৰ এখন দুৱাৰ ৰখা হয়।

বাইথৌ পূজাৰ প্ৰচলন কেতিয়াৰ পৰা আৰম্ভ হৈছে সেই সম্পৰ্কে সোণোৱাল সমাজত এক মনোৰম কাহিনীৰ প্ৰচলন আছে। প্ৰথম অৱস্থাত এই পূজা হাবিৰ মাজত লোকচক্ষুৰ আঁৰত পালন কৰা হৈছিল। হাবিৰ মাজত গৰখীয়াহঁতে গৰু চৰাই থাকোতে প্ৰথমে এই পূজা পতা হৈছিল বুলি এক প্ৰবাদ আছে। সোণোৱালসকলে বিশ্বাস কৰে যে, শিৱ আৰু পাৰ্বতীয়ে পূজা ভোগ পাবৰ বাবে বুঢ়া-বুঢ়ীৰ ৰূপ লৈ তেওঁলোকৰ মাজত কিবাতে আচাৰ নীতি শিকায়।

বৰ্তমান সময়ত মানুহ কৰ্মমুখী হৈ পৰাৰ লগতে আধুনিকতাৰ স্পৰ্শই মানুহক পৰিচালনা কৰাৰ বাবে সোণোৱাল সম্প্ৰদায়ৰ মাজত প্ৰচলিত হৈ অহা এই বাইথৌ পূজাৰ প্ৰচলন ক্ৰমে হ্ৰাস পাই আহিছে। গতিকে প্ৰাচীন কালৰে পৰা আমাৰ সোণোৱালসকলৰ মাজত চলি অহা এই পৰম্পৰা ৰক্ষা কৰাটো সকলোৰে কৰ্তব্য।

# লোকবিশ্বাসৰ প্ৰতীক : আইনাম

— দীপশিখা চুতীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

লোক-সাহিত্য জাতীয় জীৱনৰ সামূহিক অভিব্যক্তি। কোনো এটা জাতিৰ অতীতৰ বিষয়ে অভিজ্ঞতা লাভ কৰিবলৈ সেই জাতিটোৰ ধৰ্ম-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বন, লোক-বিশ্বাস আদিৰ লগতে জাতিটোৰ মাজত আদিম যুগৰে পৰা চলি অহা গীত-পদ, প্ৰবাদ-পটন্তৰ, ফঁকৰা-যোজনা, সাঁথৰ, মালিতা, সাধুকথা আদি বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হয়। লোক সাহিত্যই জাতিৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, ভয়-ভক্তি ইতিহাসৰ বুকুত বৰ্তমানৰ বিৱৰ্তন আভাস দাঙি ধৰাৰ লগতে ভৱিষ্যত সম্পৰ্কে এক সম্যক পৰিচয় দাঙি ধৰে। আদিম মানুহে প্ৰকৃতিৰ মাজত জন্ম গ্ৰহণ কৰি জীৱন ধাৰণ কৰোঁতে ব্যৱহাৰিক জীৱনত প্ৰকৃতিৰ ৰহস্যময়তাৰ জাল ভেদ কৰিব নোৱাৰি প্ৰকৃতি জগতৰ বিভিন্ন বস্তুত অলৌকিক শক্তিৰ মহিমা অনুভৱ কৰিছে। এই সম্পৰ্কে মনস্তাত্ত্বিক য়ুঙে (Young) কৈছিল, "আদিম আৰণ্যিক মানুহৰ অজ্ঞানতাৰ বাবেই বিবিধ দৈৱিক শক্তিৰ জন্ম হৈছিল আৰু সেই দেৱ দেৱী শক্তিবোৰৰ ইচ্ছাৰ ওপৰতে মানুহৰ জীৱনৰ সুখ দুখ, জয় আৰু মৃত্যু নিৰ্ভৰশীল বুলি ভাবিছিল। এনে ভ্ৰান্ত ধাৰণাৰ বাবেই আদিম মানৱৰ মনত কিছুমান বিশ্বাসৰ জন্ম হৈছিল। এনে অবৈজ্ঞানিক আৰু অবাস্তৱ ভ্ৰান্ত ধাৰণাৰ জনিত বিশ্বাসৰ বাবেই স্তুতিমূলক গীতৰ সৃষ্টি হৈছিল আৰু এই গীত-মাতবোৰেই পৰৱৰ্তীকালত লোকসাহিত্য স্বৰূপ হৈ পৰিছিল।

লোক-সাহিত্যৰ প্ৰধান এটা অংশ হৈছে লোকগীত। লোক সাহিত্য হ'ল লোকমনৰ প্ৰতিফলন। লোক মানসত প্ৰতিফলিত হোৱা জীৱনৰ আবেগ-অনুভূতি আৰু অভিজ্ঞতাবোৰ সাহিত্যৰ মাজেদি প্ৰকাশ লাভ কৰে। এয়েই হৈছে লোক-সাহিত্য।

অসমীয়া লোক-সাহিত্যৰ এটা উল্লেখযোগ্য দিশ হৈছে লোকগীত। বিষয় বস্তুৰ ফালৰ পৰা লোকগীতক প্ৰধানকৈ তিনিটা শ্ৰেণীত ভাগ কৰাৰ লগতে আৰু কেইবামান উপশ্ৰেণীত

ভাগ কৰিব পাৰি। সেইকেইটা হৈছে — (১) অনুষ্ঠানমূলক লোকগীত (২) আখ্যানমূলক লোকগীত (৩) বিবিধ বিষয়ক লোকগীত। অনুষ্ঠানমূলক গীতৰ অন্তৰ্গত ভক্তিপ্ৰধান বা ভক্তিমূলক গীতৰ এটা ভাগ হৈছে — "আইনাম"।

ধৰ্ম বা ধৰ্মমূলক লোক-বিশ্বাসত মানুহৰ মনত অতি দকৈ স্পৰ্শ কৰিব পাৰি। ধৰ্মবোৰ সকলো ভাৱ অনুভূতিতকৈ গভীৰ। ধৰ্মই জ্ঞান আৰু ধৰ্মবোৰ সমষ্টি। অতএৱ সেয়েও ধৰ্মগীতৰ মাধুৰ্য্যই স্পৰ্শ কাতৰ কৰি-তুলিব পাৰি। তান্ত্ৰিক শাক্ত-ধৰ্মই সৃষ্টি কৰা মহামায়াৰ সাত-ভনী, ন-ভনী, বাৰ ভনী আদি লোকবিশ্বাস আৰু পৰম্পৰাৰ সৃষ্টি। কেৱল নাৰী সমাজত এই গীতবোৰ প্ৰচলিত হোৱা বাবে এই শ্ৰেণীৰ গীত তিৰোতাসকলৰ বুলি অনুমান কৰিব পাৰি। গীতবোৰত ৰচয়িত্ৰীসকলৰ লোকবিশ্বাস আৰু বিভিন্ন দেৱ-দেৱীলৈ থকা অচলা ভক্তিৰ প্ৰতি থকা গভীৰ আকুতিৰ বিশ্বাস, বল আৰু শক্তিৰ প্ৰতি থকা গভীৰ আস্থা বিশ্বাস আৰু তাৰ সংযোগত দেৱ দেৱীৰ ধ্যান ধাৰণাৰ জন্ম হয়।

"আইৰ নাম" অসমীয়া গাঁৱলীয়া সমাজৰ বিশেষকৈ তিৰোতাৰ অতি আকৰ্ষণীয় আৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান। আইৰূপৰ নমুনা বিভিন্ন নামেৰে নামকৰণ কৰা হয়। যেনে :— বসন্তী দেৱী, শীতলা দেৱী আদি। জনসাধাৰণৰ বিশ্বাস যে, বেলেমান ৰোগৰ কেইগৰাকীমান অধিষ্ঠাত্ৰী দেৱী আছে আৰু সেই দেৱীৰ পূজা, সেৱা, স্তুতি, মিনতি বা প্ৰাৰ্থনা আদিৰে সন্তুষ্ট কৰিব পাৰিলে দেৱীয়ে ৰোগ ভাল কৰি দিয়ে। সেই শক্তিৰ ওচৰত কৰা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল — "আইনাম"।

বসন্ত অতিকৈ সংক্ৰামক ৰোগ। বসন্ত ওলালে উক্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱী বুলি বিশ্বাস কৰা 'সাত গৰাকী' আই বা দেৱীৰ বাই ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে 'আইনাম' গোৱা হয়। মুখে মুখে প্ৰচলিত "আইনাম"বোৰত শীতলাৰ পৰিচয় পোৱা যায়। শীতলাই ভগৱতী, সিংহবাহিনী, নাৰায়ণী চণ্ডিকা, উমা, শিৱা, জয়া, দুৰ্গা আৰু বিশিষ্টা কালী। এই দেৱী গৰাকীৰ

স্বৰ্গত দেৱতাসকলে পাতালত নাগসকলে আৰু পৃথিৱীত মনুষ্যসকলে পূজা কৰে।

বিভিন্ন ধৰ্মকাৰ্য আচৰণ, নেমা আৰু পদ্ধতি, নানা গীত মাতবোৰৰ লগতে অন্তৰ্ভুক্ত হৈ আহিছে, সুবচনীৰ গীত, অপেচৰী গীত, লাখিমী সবাহৰ গীত, গোঁসানী পূজাৰ গীত আদি অনেক ধৰ্মীয় গীত।

লৰা ছোৱালীৰ মংগল আৰু ঘৰৰ শ্ৰীবৃদ্ধিৰ বাবে সুবচনী দেৱী পূজা আৰু গীত গোৱা হয়। ঠিক সেইদৰে বয়স অনুক্ৰমে শাৰীৰিক বিকাশ নঘটিলে বা বিনাৰোগে লৰা ছোৱালী শুকাই খীনাই গলে অপেচৰাৰ দোষ বুলি আইসকলে চোতালৰ মাজত অপেচৰা সবাহ পাতি গীত গায়। তেনেদৰে লক্ষ্মী পূজাৰ দিনা নাইবা ঘৰলৈ ধানৰ লাখিমী চপাবৰ দিনা সবাহ পাতি লাখিমীয়ে লগ নেৰিবলৈ এই লাখিমী সবাহৰ গীত গোৱা হয়।

এই অনুষ্ঠানবোৰত আইসকলে গোৱা গীতবোৰত নাৰী-সুলভ কমনীয়তা, সৰল বিশ্বাস, অগাধ ভক্তিৰ পৰিচয় পোৱা যায়। দেৱক মাতৃ জ্ঞানেৰে অতি আপোনজনৰ দৰে আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিৰে গীতবোৰৰ যোগেদি আহ্বান কৰা হয়। ভাষাৰ সৰলতা আৰু সহানুভূতিৰ আন্তৰিকতা এই গীতবোৰৰ বিশেষত্ব। যদি অনুভৱৰ আন্তৰিকতা আৰু প্ৰকাশ ভংগীৰ স্বচ্ছতাই কবিতাৰ কষটি শিল বুলি ধৰা হয় তেন্তে আইসকলে মুখে মুখে ৰচনা কৰা আত্মনিবেদনৰ নামবোৰ শ্ৰেষ্ঠ কবিতা ৰূপে দাবী কৰিব পাৰে। আইসকলে দেৱতাক পাৰ্থিৱ যি বস্তুৰেই উপচাৰ ৰূপে আগবঢ়াই সন্তুষ্ট কৰিব খোজে সেই বস্তুৰেই নিকা নহয় কিবা কাৰণে অশুচিত, সেইকাৰণে সুৱা-পবিত্ৰ নাম পূজাৰেই পূজিবলৈ দেৱতাৰ ওচৰত আকুতি জনাইছে এনেদৰে —

যেই বস্তু দিওঁ মাতৃ সেই বস্তু চুৱা।
আপোনাৰ নামে মাতৃ আপুনি সন্তোষ হোৱা॥

আইক পুজিবলৈ গোপিনীসকলে বগা ফুল, বগা

কাপোৰ আৰু এখন মোখোৰাকৈ আই ওলোৱা বুইলে যায়। সত্ব-গুণসম্পন্ন দেৱী আইয়ে বগা বৰণৰ প্ৰতি বিৰাগ জন্মে। সেয়ে ওলোৱা লোকে বগা বৰণৰ কাপোৰ পৰিধান নকৰে। বসন্ত ৰোগী খজোল হোৱা হেতু ৰোগ উপশমৰ বাবে যদি আখীৰ বা মাখন ঘঁহি দিয়া-হুৰ লাগে বুলি বিশ্বাস কৰা হয়। দ্বিতীয়তে চিৰা, মাগুৰ মাছৰ জোল, খাৰিচা আদি এই ৰোগৰ উপশমৰ পাছত খাবলৈ দিব লাগে।

লোকমনৰ সকলো বিশ্বাস, স্বপ্ন, আনন্দ-বিষাদ গীতৰ মাজেৰে প্ৰবাহিত হয় নিজৰাৰ দৰে। তাৰ মাজেৰে এবিধ গীত হ'ল ধৰ্মীয় দেৱ প্ৰধান বিশ্বাস, প্ৰাৰ্থনা, আস্থা আৰু কাৰুণ্যৰ মিশ্ৰণত এইবিধ গীত। শ্ৰোতাৰ হৃদয় সহজে আকৰ্ষিত কৰে। নাৰী-কেন্দ্ৰীক ধৰ্মীয় গীতবোৰে নাৰীমনৰ শান্ত, নম্ৰ আৰু মংগলময় ৰূপটো দাঙি ধৰে। শাৰিৰীক অসুস্থতাক কেন্দ্ৰ কৰি লোকমনত গঢ় লৈ উঠা বিচিত্ৰ কল্পনাৰ মূৰ্ত ৰূপ প্ৰকাশ পায় আইনামৰ মাজত। সুদূৰ প্ৰসাৰী কল্পনা আতংক আৰু কাৰুণ্যতাৰ মাজত প্ৰকৃতিৰ অপৰিণীয় পৰিৱৰ্তন আৰু সৌন্দৰ্য পৰিস্ফুট হয়।

গীতবোৰত ৰচয়িত্ৰীসকলৰ বিভিন্ন দেৱ-দেৱীলৈ সকলো ভক্তিৰ গভীৰতা দেখা যায় প্ৰাকৃতিক বিশাল বল আৰু শক্তিৰ প্ৰতি সদা গভীৰ আস্থা, বিশ্বাস আৰু ভয়ৰ সংযোগত দেৱ-দেৱীৰ ধ্যান ধাৰণাৰ জন্ম হয়। ধৰ্ম আৰু ধৰ্মীয় বিশ্বাসে এখোটা জাতিৰ সাংস্কৃতিক স্বৰূপ নিৰূপণ কৰাৰ লগতে ধৰ্মীয় গীত-মাতবোৰক এক সুকীয়া ঐতিহাসিক গুৰুত্ব প্ৰদান কৰে।

বেদ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থসমূহে আইসাম সম্বলিত যি দেৱী পূজা-অৰ্চনা মহিমাৰ কথা উল্লেখ কৰিছে। সেইয়া লোক সাহিত্যত ধৰ্মীয় আৰু বিশ্বাসৰ এক প্ৰতীকাত্মক ৰূপ বহন কৰিবলৈ সক্ষম হৈছে।

# অসমীয়া ফঁকৰা-যোজনাত নাৰী

শ্ৰীমতী অনামিকা বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক

ফঁকৰা-যোজনাবোৰ হ'ল লোকসাহিত্যৰ এক অমূল্য সম্পদ। লোকসাহিত্য জনসাধাৰণৰ জীৱনৰ অভিজ্ঞতাৰে আধাৰিত সৃষ্টিশীল মনৰ প্ৰকাশ। লিখিত সাহিত্য সৃষ্টিৰ বহু আগৰে পৰাই লোকসাহিত্যই লোকমনৰ সৃষ্টিশীলতাৰ স্বাক্ষৰ বহন কৰি আহিছে মৌখিক ৰূপত। মানুহৰ মুখ লোকসাহিত্যৰ মুখ্য বাহন। লোকসাহিত্যৰ এই প্ৰবীণ অংশ ফঁকৰা আৰু যোজনাক সমাৰ্থকভাৱে ফঁকৰা যোজনা বুলি ক'লেও ইয়াৰ মাজত সামান্য পাৰ্থক্যও নথকা নহয়।

ফঁকৰাবোৰ হৈছে গভীৰ অৰ্থময়তাৰে আওপকীয়াকৈ কোৱা কথাৰ এক ধৰণ। বহল বিষয় এটাক চাওকতে প্ৰকাশ কৰাৰ উৎকৃষ্ট মাধ্যম হ'ল ফঁকৰাবিলাক। লোক জীৱনৰ সৰু সৰু অভিজ্ঞতাবোৰকেই বিষয়ৰ প্ৰাসংগিকতা ৰক্ষা কৰি আমাৰ পূৰ্বপুৰুষসকলে আহানিতে এই ফঁকৰাবোৰ সৃষ্টি কৰি থৈ গৈছিল। উল্লেখনীয় ভাৱে ভকতীয়া সমাজতহে এই ফঁকৰাসমূহে বিশাল পৃষ্ঠভূমি গঢ়ি তুলিছিল। কথাতে কয়,

'বাৰকুৰি বকপাত
তেৰকুৰি ফঁকৰা।'

ভকতীয়া ফঁকৰাবোৰ ধৰ্মীয় পুৰাৰ্থ নিহিত।

আনহাতে যোজনাসমূহ হ'ল কোনো কথা স্পষ্ট কৰি দিবলৈ প্ৰাসংগিকতা থকা অন্যৰ কথাৰে যোজন কৰিবা লগা লগাই কোৱা কথা। যেনে:- 'অবুজনক বুজোৱা
টেকেৰা ঢাকি সিজোৱা।'

সি যি কি নহওক, বৰ্তমান ফঁকৰা আৰু যোজনাক সমাৰ্থক ৰূপত ফঁকৰা যোজনা শব্দৰে সামৰি লোৱা হয়। ফঁকৰা যোজনাৰ মাজেৰে কওঁতাজনৰ সূক্ষ্ম পৰ্যবেক্ষণ, ভাব প্ৰকাশিকা শক্তি আৰু বাক্ চাতুৰ্যৰ উমান পোৱা যায়। ফঁকৰা যোজনাবোৰৰ জৰিয়তে সমাজখনৰ চিত্ৰ বৰ

সুন্দৰৰূপে প্ৰকাশ পোৱা দেখা যায়। নিৰ্ধাৰিত বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি ফকৰা-যোজনাৰ মাজেৰে প্ৰতিফলিত নাৰী-বিষয়ক দিশবোৰহে ইয়াত আলোচনা কৰা হৈছে।

অতীজৰে পৰা আমাৰ সমাজত নাৰীৰ প্ৰতি যি দৃষ্টিভংগী আৰু সমাজত নাৰীৰ স্থিতি কেনেধৰণৰ আছিল এই সম্পৰ্কে এই ফকৰাবোৰৰ জৰিয়তে আমি গম পাব পাৰো। আমাৰ সমাজত মাতৃৰ প্ৰতি সমাজৰ যি গভীৰ আস্থা আৰু শ্ৰদ্ধা আছিল এক-এইধৰণৰ কথাই প্ৰমাণ কৰে,

'নৈৰ সমান বল কোন,
আইৰ সমান হব কোন?'

আন এটা ফকৰাত সেইদৰে নাৰীৰ দুটা ভিন্ন চাৰিত্ৰিক দিশ দুটাই তোলাৰ প্ৰয়াস কৰা হৈছে। মাতৃ আৰু পত্নী এই দুটা নাৰী চৰিত্ৰৰ মাজত থকা পাৰ্থক্য পৰিলক্ষিত হৈছে এই ফকৰাটোৰ জৰিয়তে,

'মাকে চায় মুখলৈ,
তিৰীয়ে চায় হাতলৈ।'

অৰ্থাৎ মাকে সন্তানক সদায় কঁৰবাৰ পৰা অহাৰ লগে লগে মুখলৈ চায় উমান লব বিচাৰে দুখ-ভাগৰ, সফলতা-বিফলতাৰ আনহাতে পত্নীয়ে তেওঁৰ মনৰ অৱস্থাৰ প্ৰতি গুৰুত্ব দিয়াৰ পৰিবৰ্তে হাতত কিবা বস্তু আনিছে নাই সেই বিষয়ে গুৰুত্ব দিয়া দেখা যায়।

নাৰীসুলভ গুণ আৰু মমতাৰ বাবে কুৰূপা নাৰীও স্বামীৰ চকুত সুন্দৰী হৈ ধৰা দিয়ে। ফকৰা যোজনাত তাৰ উল্লেখ পোৱা যায় -

'মাজু মুৰত নাই চুলি
পৈয়েকে মাতে ৰূপহী বুলি।'

নাৰীৰ সৎ স্বভাৱ আৰু সাধুবী গুণ তথা ঘৰৰ শ্ৰীবৃদ্ধিত সহায় কৰে। এনে নাৰী ঘৰৰ লখিমী স্বৰূপা। এনে নাৰীৰ প্ৰতি লক্ষ্য ৰাখিয়েই ফকৰা-যোজনাত কোৱা হৈছে,

'ঘৈণীয়েই ঘৰ
ঘৈণী নহ'লে লৰখৰ।'

কিন্তু নাৰী গৰাকীৰ স্বভাৱ-চৰিত্ৰ যদি ভাল নহয় তেতিয়া ঘৰ ওলোটা হয়। ঘৰখনৰ শ্ৰীবৃদ্ধি হওক চাৰি অধঃপাতেহে যায়।

তাৰ উদাহৰণস্বৰূপে,

'তিৰী হন্তে গিৰী
তিৰী হন্তে হুতাৰী।'

ঘৰৰখা নাৰীগৰাকীক সমাজে প্ৰশংসা কৰাৰ উপমান এই ফকৰা যোজনাত প্ৰকাশ পাইছে এনেদৰে,

'গুৰু সেৱে অতিথি পূজে
সেই নাৰী সদায় সুখক ভুঞ্জে।'

সমাজে ভাল নাৰীক স্বীকৃতি দিয়াৰ পৰিৱৰ্তে আকৌ সঘনে বজাৰ-সমাৰ কৰি ঘূৰি ফুৰা নাৰীক গ্ৰহণ কৰিবলৈ নিবিচাৰে। তাৰ প্ৰকাশ ঘটিছে এইধৰণৰ ফকৰাত -

'সুনাৰী নষ্ট হয়
মাজে দিলে বাট
সুতিৰী নষ্ট হয়
ঘনাই বেৰাই হাট।'

অৰ্থাৎ সঘনাই বজাৰ বা হাটলৈ যোৱা নাৰীগৰাকী বেলেগৰ মনোভাৱৰ খোৱা হেতুকে সমাজত তেওঁ নীচ হিচাপে পৰিগণিত হয়।

নাৰীৰ এক স্বাভাৱিক প্ৰৱণতা হ'ল নিজকে সজাই পৰাই ধুনীয়া কৰি ৰখা। নাৰীৰ এনে প্ৰৱণতাক কটাক্ষ কৰি ফকৰা যোজনাত কৈছে,

'তিনিজাল চুলি তাকে বান্ধে তুলি
পোৱেকে আহি ভাল দেখক বুলি।'

নাৰীক যে পুৰুষপ্ৰধান সমাজে দমন কৰি ৰাখিব বিচাৰে তাৰ প্ৰমাণ এই ফকৰাত পোৱা যায় -

'কাঁচৰী ধৰাবা শিলে
নাৰীক ধৰাবা কিলে।'

এনেদৰে ফকৰা যোজনাসমূহৰ যোগেদি নাৰীৰ বিষয়ে লোক-সমাজত প্ৰচলিত ধ্যান-ধাৰণা, নাৰীৰ স্বভাৱ-চৰিত্ৰ, সমাজত নাৰীৰ স্থান আদিৰ সম্যক ধাৰণা এটা পাব পাৰি। আজিৰ পৰিৱৰ্তিত সমাজত নাৰীৰ সামাজিক স্থিতি, আৰু নাৰী সম্পৰ্কীয় ধাৰণাৰ পৰিৱৰ্তন হৈছে। বৰ্তমান সময়ত ফকৰা-যোজনাবোৰ মূল্যহীন হৈ পৰিছে যদিও সাহিত্যৰ ইতিহাস আৰু সমাজ বুৰঞ্জীৰ অধ্যয়নত ফকৰা-যোজনাবোৰৰ মূল্য অনস্বীকাৰ্য।

(সহায় লৈ)

# বিলুপ্তিৰ পথত ঢেঁকীশাল

— ৰঞ্জুমণি বড়া
স্নাতক পঞ্চম ষাণ্মাসিক

অসমীয়া লোকসংস্কৃতিৰ অতুলনীয়া সম্পদ হৈছে 'ঢেঁকীশাল'। গ্ৰাম্য অঞ্চলৰ কৃষিজীৱি বাইজৰ মাজত ঢেঁকীশালে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ঢেঁকীৰ ঐতিহ্য অতি প্ৰাচীন। ব্ৰহ্মাৰ মানসপুত্ৰ মহৰ্ষি নাৰদৰ বাহন আছিল ঢেঁকী। ঢেঁকীশাল সাধাৰণতে পূৰ্বমুৱাকৈ পতাৰ নিয়ম যদিও মানুহৰ সুবিধাৰ বাবে অন্য দিশতো পতা হয়। কাঠৰ দ্বাৰা তৈয়াৰী ঢেঁকীটোৰ এটা মূৰত খোৰা লগোৱা হয়। খোৰাটোক 'ঢেঁকীখোৰা' বুলি কোৱা হয়। তাৰ তলত কাঠৰ 'খুৰলি' তৈয়াৰ কৰা হয়। ঢেঁকীৰ পাছৰ অংশত 'কতৰা' থাকে। ঢেঁকীৰ শেষ অংশত ভৰিৰে হেঁচা প্ৰয়োগ কৰি ঢেঁকী দিয়া হয়। তদুপৰি ঢেঁকী দিয়া মানুহগৰাকীয়ে খুৰলিৰ ধান, চাউল আদিবোৰ এডাল বাঁহৰ মাৰিত এটা মূৰত খেৰেৰে মুঠা বান্ধি লয়। এই মাৰিডালক 'বাঢ়নী মাৰি' বা 'লুৰিমাৰি' বোলে।

গ্ৰাম্যাঞ্চলত ঢেঁকীশালত প্ৰয়োজন হোৱা বস্তুবিলাক অৰ্থাৎ এখন বাঁহৰ চাং পাতি লোৱা

হয়। ইয়াত বিশেষকৈ খৰাহী, ডলা, চালনী, পীৰা, কোতা আদি বস্তুবিলাক ৰখা হয়। বিশেষকৈ বিহুৰ আগে আগে, উৎসৱ - পাৰ্বন, বিয়া - সবাহ, পূজা - ভিমি আদি সামাজিক অনুষ্ঠানত ঢেঁকীৰ প্ৰয়োজন বেছি হৈ পাৰে। তদুপৰি বিশেষ দিনবোৰত ঢেঁকীশালৰ আজৰি নোহোৱা হয়। বিহুৰ এসপ্তাহমানৰ আগৰ পৰাই চিৰা, সান্দহ, পিঠাগুৰি, ধান - চাউলৰ আদি খুন্দিবলৈ ঘৰখনৰ জীয়ৰী - বোৱাৰী তথা গাভৰু সকলোই ব্যস্ত হৈ পাৰে। ঢেঁকীশালত জীয়ৰী - বোৱাৰী সকলে ঢেঁকীৰ চাপে চাপে বিহুনাম, বিয়ানাম, জোৰানাম আদিৰে ঢেঁকীশাল মুখৰিত কৰি তোলে।

ঢেঁকীক লৈ বহুতো লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। বাৰিষা কালত খেতিৰ সময়ত কেইদিন ধৰি বৰষুণ নহ'লে ঢেঁকী চুৰি কৰি নি এলোটীকৈ বা ওপৰমুৰাকৈ পুতি থলে বৰষুণ হয় বুলি বিশ্বাস কৰা হয়।

লোক সংস্কৃতিৰ অমূল্য সম্পদটি বৰ্তমান বিলুপ্তিৰ পথত। বিজ্ঞানৰ প্ৰসাৰ আৰু মানুহৰ অকৰ্মণ্যতাই ঢেঁকীৰ বিলুপ্তিৰ মূল কাৰণ, বৰ্তমান যান্ত্ৰিক যুগত ঢেঁকীৰ চাহিদা কমি আহিছে। অতি কম সময়তে আৰু কম কষ্টতে 'মিল'ৰ প্ৰচলনে ঢেঁকীৰ অস্তিত্ব প্ৰায় নোহোৱা

কৰিছে । গাঁওত অন্যতম কাহিনী শুনাতে শুনা ঢেঁকীৰ মাত বৰ্তমান সময়ত শুনিবলৈ পোৱাটো দুৰ্লভ হৈ পৰিছে । লোক-সংস্কৃতিৰ সম্পদ ঢেঁকীশাল বৰ্তমান কালৰ বুকুত জাহ যোৱাৰ উপক্ৰম ঘটিছে । বৰ্তমান গাঁওৰ দুই এঘৰত ঢেঁকীশাল আছে যদিও সিও অব্যৱহৃত হৈ পৰি আছে । উল্লেখযোগ্য যে মেচিনত বনা বস্তুতকৈ ঢেঁকীশালত খুন্দা বস্তু অতি উত্তম তথা উত্তম তথা উপকাৰী বুলি বিবেচিত হৈ আহিছে । ঢেঁকীত বনা খাদ্যৰ গুণ মিলত প্ৰস্তুত কৰা খাদ্যত নাথাকে । অসমৰ কৃষিজীৱি ৰাইজৰ ঢেঁকীশালখন কালৰ বুকুত হেৰাই যাবলৈ নিদি প্ৰতিঘৰ অসমীয়াই সংৰক্ষণৰ ব্যৱস্থা তথা ব্যৱহাৰ কৰিলে লোকসংস্কৃতিৰ বাহক ঢেঁকীয়ে আকৌ প্ৰাণ পাই উঠিব । ঢেঁকীৰ বিলুপ্তি হ'লে বহু পৰম্পৰা, লোক-কলা, লোকাচাৰ ইত্যাদি লোপ পাব । জাপানী সকলে যিদৰে বিজ্ঞান প্ৰযুক্তিৰ শীৰ্ষত আৰোহন কৰিও এনেধৰণৰ লোকাচাৰ, পৰম্পৰা ৰক্ষা কৰিছে, অসমৰ মানুহেও ঢেঁকীশাল খন ৰক্ষা কৰিবলৈ যত্নপৰ হোৱা উচিত ।

সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' গ্ৰন্থত 'ঢেঁকী কবি' নামৰ ব্যঙ্গ ৰচনাই ঠাই পাইছিল । তেওঁ ধান বনা ঢেঁকী এটা ভাগি যোৱাত হৃদয় বিদাৰক স্বৰ্গীয় ভাৱৰ 'পয়দা' হোৱা বুলি কেইটা কবিতা লিখিছিল —

'তোমাৰ বিৰহে টেঁকী জীৱন কেনে কৰি
ঢেঁকুৰ ঢেঁকুৰ সুৰ হয়! যেনে বাজে বাঁহী
কদমৰ তলে যমুনাৰ।'

আকৌ বেজবৰুৱাই টেঁকীৰ ধ্বংসত দুখ কৰিছে আৰু টেঁকীৰ গুণ গাইছে —


'ধান বনা নিতে, খুন্দিয়া ভাত মোৰ।
খুৱাবৰ মনে পাখিবলৈ ৰৈ-যা, খাই যা মাতা'

শেষত পুনৰ দুখ কৰি কৈছে —

"জগতে তোমাক মোৰো লাগি গল হিয়া
লাইবা বিদায় টেঁকী সমিধান দিয়া।"

— o —

## মহৎ লোকৰ অমৃত বাণী :—



★ কৰ্মই মানুহক তিনিটা ডাঙৰ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰে — ক্লান্তি, কু-অভ্যাস আৰু অভাৱ।

— ভল্টেয়াৰ


★ পৃথিৱীত মাত্ৰ দুবিধ গুণ আছে — কৰ্মপটুতা আৰু অকৰ্মণ্যতা। সেইদাৰে পৃথিৱীত দুবিধ মানুহ আছে — কৰ্মপটু আৰু অকৰ্মণ্য।

— জৰ্জ বাৰ্ণাৰ্ড শ্ব।

# ৰ'দালি : ভাষা প্ৰযুক্তি বিকাশ পৰিষদ অসম
Society for language Technology development Assam.

— ৰাজশ্ৰী বড়া
স্নাতক পঞ্চম ষাণ্মাষিক

আধুনিক কালত অসমীয়া ভাষাই কম্পিউটাৰ আৰু ইন্টাৰনেটৰ পৰশ পাবলৈ সক্ষম হৈছে। আমি বোজুলেপেই ঘন্টাৰ পিছত ঘন্টা সময় ধৰি কম্পিউটাৰ বা ইন্টাৰনেটত বিদেশী ভাষা এটাৰ যোগে কাম কৰি আমি ইমানেই একীভূত হৈ পৰিছো যে সেই বিদেশী ভাষাটোৰ সলনি অসমীয়া ভাষা ব্যৱহাৰ কৰিব পৰা কথাটো বিশেষ চৰ্চিত হোৱা নাই। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতি আৰু কেইজনমান মহান ব্যক্তিৰ অক্লান্ত চেষ্টা প্ৰচেষ্টাৰ ফল স্বৰূপে এই কথা দূৰৈলৈ হৈ পাৰিলে আৰু 'অসমীয়া ছফ্টৱেৰৰ অভিধান', 'ৰামধেনু', আদিৰ সৃষ্টি হোৱাৰ উপৰিও অন্যটো ছফ্টৱেৰৰ সংযোগ ঘটিলে। সেইয়া হ'ল 'ৰ'দালি' অৰ্থাৎ ভাষা প্ৰযুক্তি বিকাশ পৰিষদ, অসম (Society for language Technology Development, Assam)



Rodali is a unicode based Input Method Editor (IME) develept and released by society for language Technology development Assam. এই IME যোগেদি ব্যৱহাৰ কৰোতাই অসমীয়া আখৰবিলাক কম্পিউটাৰৰ স্ক্ৰীনত লিখিব পাৰে।

ৰ'দালি ছফ্টৱেৰটোৰে অসমীয়া ভাষাক কম্পিউটাৰলৈ নি যি কষ্ট কৰিব লগা হৈছে, কিন্তু তাক ব্যৱহাৰ কৰাটো তেনেই সহজ।

প্ৰথমতে আমি ৰ'দালি ছফ্টৱেৰটো Install কৰি কম্পিউটাৰত save কৰি ৰাখিব লাগিব। আৰু আমি এই ছফ্টৱেৰটো ব্যৱহাৰ কৰিবৰ সময়ত start menu লৈ গৈ All programmes menu ত click কৰিব লাগে, তাৰ পিছত আমি ৰ'দালি icon টোত দুবাৰ click কৰিব লাগে। ৰ'দালি ছফ্টৱেৰটো on হোৱাৰ লগে লগে আমি Alt + shift 'Ra' মাৰিব লাগে আৰু যেতিয়া windows

select কৰি লব লাগে। যাতে আমি লিখা আখৰসমূহ নিৰাপদ হয়। এই windows সমূহ তেনেকুৱাৰ:

ⓐ Microsoft windows xp (service pack 2)/vista/7
ⓑ NET framework 3.5 or higher (No need tee install in windows 7) etc.

আমি এই বঁহগাল ফুকটৰেৰটোত আখৰসমূহ লিখিবলৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰিব পাৰো। যেনে হ'ল –

① Phonetic : এই পদ্ধতিত আমি অসমীয়া আখৰ লিখিবলৈ ইংৰাজী আখৰ জোঁটনি জানিলেই হয়। ইয়াত ক (K) খ (KH), গ = (GA), ঘ = (GH), ঙ = (NG) ইত্যাদি। তেনেধৰে লিখিব পাৰি।

② Mouse Click : Mouse Click পদ্ধতিত কম্পিউটাৰত অসমীয়া লেখা type কৰিব নজনাসকলেও বৰ্ণনাসমূহত click কৰি 'বঁহগাল'ত অসমীয়া লিখিব পাৰে।

③ Inscript : এই পদ্ধতিটো ব্যৱহাৰ কৰিবলৈ DTP জ্ঞান থকা বাঞ্ছনীয়।

④ Custom : ইয়াত a = অ, b = ব, c = চ তেনেধৰণে আখৰ - বিলাক লিখিব পাৰো। এই পদ্ধতি ব্যৱহাৰ কৰোতে আমি help document টো চাই coustonizeing keyboard layout কৰিব লাগিব।


ইয়াৰোপৰি এই ফুকটৰেৰত 'help' নামৰ এটা option আছে। এই option টোত click কৰি বঁহগাল ফুকটৰেৰৰ অৱিশেষ জানিব পাৰো, বঁহগাল ফুকটৰেৰ লগত যোগ থকা ব্যক্তি কেইজনমান হ'ল:

Copyright : SLTD, Assam
Developers : Guradeep Chetia
Angshuman Borah
Documentation : Abhijit Gohain.

Suggestion : Dr. Bhaskarjyoti Sarmah
Dr. Mridul Bordoloi

সম্প্ৰতি অসমীয়া ভাষাৰ ক্ৰমহ্ৰাসমান সময়ত অসমীয়া ভাষাক এনে ন ন পদ্ধতিৰে বিশ্ব দৰবাৰলৈ নিয়াৰ যি প্ৰয়াস সেয়া অতি গুৰুত্বপূৰ্ণ। বিশেষত সৰু সকলেও কম্পিউটাৰৰ যোগেদিয়ে অসমীয়া ভাষা লিখিব পাৰিব। কম্পিউটাৰৰ দৰে ইলেক্ট্ৰনিক মাধ্যমেৰে অসমীয়া ভাষা অধ্যয়ন কৰাতো অসমীয়া ভাষাৰ ইতিহাসত নতুন এক সূচনা কৰাৰ লগতে অসমীয়া ভাষা, সাহিত্য আৰু অসমীয়া জাতিলৈ আমাৰহঁতৰ বিপুল অৱদান।

## উক্তি



" কেৱল জাৰ-জহ, ৰ'দ-বৰষুণেই যে আমাৰ একমাত্ৰ সমস্যা সেইটো নহয়। মানুহৰ সুখৰ আৰু এটা ডাঙৰ অন্তৰায় হ'ল ভৱিষ্যতৰ কাৰণে অনাহক উদ্বিগ্নতা। অলপ আত্মবিশ্লেষণ কৰি চালেই বেছিভাগ মানুহেই আৱিষ্কাৰ কৰিব যে, তেওঁলোকে এটা কাল্পনিক ভৱিষ্যতৰ চিন্তা বা দুশ্চিন্তাত মগ্ন হৈ থাকে আৰু বৰ্তমানটো কোনোদিনেই উপভোগ কৰা নহয়। বৰ্তমানটো যিমানেই সুন্দৰ আৰু আনন্দময় নহওঁক কিয়, বেছিভাগ মানুহেই তাক এই কাৰণেই পৰিপূৰ্ণভাৱে উপভোগ কৰিব নোৱাৰে যে ভৱিষ্যত সম্পৰ্কে এক অজান আতংকই তেওঁলোকক সকলো সময়তেই অন্যমনস্ক কৰি ৰাখে।"

— হেমেন বৰগোহাঞি
(জীৱনৰ সাধনা)

# সময়ৰ সদ্ব্যৱহাৰ

– দিশা বৰুৱা
প্ৰাক্তন ছাত্ৰী

সময় অমূল্য ধন। পাব হৈ যোৱা সময় কোনো মূল্যৰ বিনিময়তে ঘূৰাই আনিব নোৱাৰি। সময়ৰ মূল্য কামৰ জৰিয়তেহে কৰিব পাৰি। সময়ৰ সদ্ব্যৱহাৰ কৰা জনেহে সময়ৰ উচিত মূল্য দিব পাৰে।

সময় নদীৰ সোঁতৰ দৰে। নদীৰ সোঁত দেখি, কিন্তু সময়ৰ সোঁত নেদেখি। কাৰ্যক্ষেত্ৰতহে তাৰ গম পোৱা যায়। সময়মতে নিৰ্দিষ্ট কাম কৰাই তাৰ সদ্ব্যৱহাৰ আৰু সময়ানুবৰ্তিতা।

ব্যক্তিগত জীৱনত মানুহে কৰিবলগীয়া অনেক কাম আছে। বিদ্যা অৰ্জন কৰাৰ বাবে জীৱনৰ আদি ভাগ আৰু উপাৰ্জন কৰাৰ বাবে মধ্যভাগেই প্ৰশস্ত সময়। সেই কালতে মানুহে সময়ৰ সদ্ব্যৱহাৰ কৰি যথাক্ৰমে বিদ্যা আৰু ধন উপাৰ্জন কৰি লালে জীৱন সুখত কটাব পাৰে।

কাম দীৰ্ঘম্যাদীয়ে হওঁক অথবা স্বল্পম্যাদীয়ে হওঁক, সৰুৱেই হওঁক বা ডাঙৰেই হওঁক সকলো ক্ষেত্ৰতে আমি সময়ৰ সদ্ব্যৱহাৰ কৰা উচিত, আমি দিনটোৰ কোন সময়ত কি কাম কৰা হ'ব তাৰ সঠিক পৰিকল্পনা

কৰা উচিত। সময়ৰ সদ্ব্যৱহাৰ নকৰা বাবে, পাঁচমিনিট পলম হোৱাৰ বাবে বিশ্ববিখ্যাত বীৰ নেপোলিয়নে ওৱাটাৰ্লুৰ যুদ্ধত পৰাজিত হৈছিল। তাৰ ফলত তেওঁ সুদীৰ্ঘ কাল বন্দী হৈ থাকি মৃত্যু বৰণ কৰিবলগীয়া হৈছিল।

পৃথিৱীৰ বিখ্যাত মনিষীসকলে সময়ৰ সদ্ব্যৱহাৰ কৰিছিল। সকলোৱে এই অভ্যাস গঢ়ি তোলা উচিত। কিয়নো জীৱনত উন্নতি লাভৰ মহৌষধেই হ'ল সময়ানুৱৰ্তিতা।

---

## তথ্যকোষ

কথাছবিৰ ৰূপ পোৱা প্ৰথমখন অসমীয়া উপন্যাস হৈছে— ৰজনীকান্ত বৰদলৈৰ 'মনোমতী'।

কথাছবিৰ ৰূপ পোৱা প্ৰথম অসমীয়া নাটকখন হৈছে— লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী'।

জনজাতীয় জীৱনৰ আধাৰত ৰচিত প্ৰথম অসমীয়া উপন্যাস — "মিৰি জীয়ৰী" (ৰজনীকান্ত বৰদলৈ)

প্ৰথম অসমীয়া শিশু উপন্যাস —"পাতালপুৰী"; লেখক- হৰগোবিন্দ শৰ্মা।

# বন্ধুত্ব — এক স্নিগ্ধ অনুভূতি

— বন্দিতা বড়া
স্নাতক তৃতীয় ষাণ্মাসিক

"A Friend in need is a friend indeed
He will help you in your need.
If you sorrow, he will weep.
If you wake, he cannot sleep."

বিশিষ্ট ইংৰাজ নাট্যকাৰ শ্বেক্সপীয়েৰে বন্ধুত্বৰ বিষয়ে লিখা এটি মনোৰম কবিতাৰ দুশাৰী-মান। সঁচাকৈয়ে, যিজন প্ৰয়োজনৰ বন্ধু তেওঁহে আচল বন্ধু বুলি মহান নাট্যকাৰ জনে কৈছে। যিজন বন্ধুৱে আমাৰ দুখত কান্দে আৰু আমাৰ নিদ্ৰাহীনতাত টোপনি যাব নোৱাৰে তেনে এজন বন্ধু পোৱাটো সঁচাকৈ কিমান মহৎ ভাগ্যৰ কথা।

পৃথিৱীত এনে কিছু লোক আছে যিসকলে অতি সহজে বন্ধুত্ব কৰিব পাৰে। এইটো এটা উৎকৃষ্ট গুণ। সময়ৰ সোঁতত এখোজ - দুখোজকৈ আগবাঢ়ি যাওঁতে কাৰোবাৰ আদৰ, যত্ন, মৰম, প্ৰতিশ্ৰুতিয়ে যান্ত্ৰিকতাৰ মাজতো দি যায় সীমাহীন আনন্দ। বন্ধুত্বৰ প্ৰশংসাকাৰীৰে বিশ্বৰ কবি - গীতিকাৰ সকলৰ গীত, কবিতা মুখৰিত হৈ আছে। কত অগণন কবি -

গীতিকাৰে যে বন্ধুত্বৰ বৰ্ণনা কৰিছে তাৰ সীমা-সংখ্যা নাই। "বন্ধুত্ব" শব্দটো শুনিলেই বা ছপা আখৰত শব্দটো দেখিলেই মনটো উমাল হৈ পৰে আৰু কিবা এক সুখৰ মধুৰ অনুভৱত মন প্ৰাণত শিহৰণ জাগে। বন্ধুত্ব হৈছে-এক সুন্দৰ সম্পৰ্ক; যাৰ অবিহনে পৃথিৱীত ভালদৰে জীয়াই থকাটো অসম্ভৱৰ দৰে। আমাৰ মাজত হয়তো খুব সংখ্যক হে ব্যক্তি আছে যিসকলে নিঃসংগতা ভাল পায়। জীৱনৰ প্ৰতিটো সময়তে আমি কোনোজনৰ সংগ বিচাৰো আৰু তাৰ কাৰণে 'বন্ধুত্ব'ক উপযুক্ত সংগ হয়তো এবেলা হ'ব নোৱাৰে। কিন্তু আমি এটা কথা মনত ৰাখিব লাগিব। কথাটো হৈছে যে, আনৰ বন্ধুত্ব পাবলৈ হ'লে আমি নিজেই এজন বন্ধু হ'ব লাগিব। স্থায়ী বন্ধুত্ব এক আশীৰ্বাদৰ দৰে। অতি ভাগ্যবান জনেহে তেনে বন্ধু পায়। বন্ধুত্বৰ বিষয়ে বাইবেলত এষাৰ অতি মূল্যবান উক্তি আছে —

"এজন বিশ্বাসী বন্ধু এক শক্তিশালী প্ৰতিৰক্ষা। যিজনে তেনে বন্ধু পাইছে তেওঁ এক ৰত্ন-ভাণ্ডাৰ লাভ কৰিছে। বন্ধুত্বৰ অপূৰ্ব-কাহিনীৰে বিশ্ব সাহিত্য ভৰপূৰ।"

শেষত, বন্ধুত্ব সম্পৰ্কীয় এটা ধুনীয়া উক্তি— "যথাসময় হৈছে উজ্জ্বল সোণৰ

মুকুটাৰে সৈতে জিলিকি থকা
অথচ গোন্ধহীন সূৰ্য্যমুখী, কিন্তু
বন্ধুত্ব হৈছে পাপৰিৰ জাপে জাপে
সুবাস বিলাই থকা অথচ
ধুনীয়া গোলাপ।"

টিপ্স. —— ০ ——

## লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষা-চিন্তা —

• "জাতিৰ উন্নতি নকৰিলে ভাষাৰ উন্নতি কেনেকৈ হ'ব পাৰে? ধানৰ লগে লগে ভঁৰালৰ উন্নতি, জাতিৰ লগে লগে ভাষাৰ উন্নতি।"

• "অনাহকত গোটাগোটে বিদেশী শব্দ গিলিবলৈ লোৱাটো ভাল নহয়। যি বস্তুটো গিলি তুমি জীণ নিয়াব নোৱাৰা সেইটো গিলিলে তুমিয়েই বিপদত পৰিবা।"

• "অসমীয়া ভাষাত বক্তৃতা কৰিবলৈকো আমাৰ ভাষাৰ বন্ধুসকলে অভ্যাস কৰিব লাগে। অসমীয়া ভাষাত ভাল বক্তৃতা কৰিবলৈ, প্ৰবন্ধ লিখিবলৈ আৰু তৰ্ক কৰিবলৈ আমি নধৰিলে আমি আমাৰ ভাষাৰ উন্নতি কৰো বুলি চিঞৰা মিছা।"

# কবিতা

কবিতা কবিৰ অন্তৰৰ
অনুভূতিৰ বাণীৰূপ

## ক্ৰিয়মাণ অনুভূতি

— জিমলি সোণোৱাল
পঞ্চম ষাণ্মাসিক

সময় যদি স্থবিৰ হৈ যায় !!
যদাকি হ'ব সমাজ
সুৰুমেও বিলাব অন্ধাৰ ।
অনিদ্ৰাৰ মাজেৰে
ধূসৰ কুঁৱলী ফালি
সময়ক লৈয়েতো উদিত হয়
অজেতী সূৰুয আৰু জীপাল হয়
সেউজী পথাৰ ।
মাজনিশা কেতিয়াবা
আপদীয়া কেঁচাৰ মাতত যদি
মোৰ জীৱনলৈ নামি আহে
তেজৰ প্ৰবাহ...
তেতিয়া বাৰু কি হ'ব ?
চকুলোবোৰ বন্ধ হ'ব
হৃদয়মন শিল হ'ব
তুমি হয়তো ভাবিছা
কবিতাৰে কি হ'ব ?
কি হ'ব অভিধানত শব্দ বুচাৰি ?
কি হ'ব অসমী আইৰ তেজাল বুকুত
শান্তিৰ সঁফুৰা বিচাৰি ??

## তুমি নাই বাবেই

— জুনুমণি গগৈ
তৃতীয় ষাণ্মাসিক

তুমি নথকাৰ বাবেই
শুকু আজি চৌপাশ
মৌন আজি ধৰিত্ৰী...
সাগৰতো ঢৌৰাৰ নাই
নতুবা নাই, আকাশত তৰা
নতুবা এমুঠি জোনাক...
চৌপাশে যেন আন্ধাৰ
কুণ্ডলী পকোৱা ধোঁৱাই যেন
গ্ৰাস কৰিছে সকলোবোৰ
তুমি নথকাৰ বাবেই
সৰি পৰিছে শৰতৰ শেৱালী
শালিকীজাকেও আঁকোৱালি লৈছে
নিৰৱতাক...
সোঁৱা... দুখনিৰ নীলা পাহাৰেও
আজি নকৈ জুৰিছে...
তুমি যে নাই
দুখৰ মাদল বাজিছে চৌদিশে
ৰংবোৰো যেন হেৰাই গৈছে
ক'ৰবাত...
মাথোঁ তুমি নাই বাবেই !

## প্ৰাপ্তি — অপ্ৰাপ্তি

— বন্দিতা বড়া, ৩য় ষাণ্মাসিক

সময়ৰ সোঁতত এখোজ-দুখোজকৈ
আগবাঢ়ি গৈ আছে জীৱনটো ।
জীৱনৰ এই যান্ত্ৰিকতাৰ মাজতো
আমি বিচাৰো সীমাহীন আনন্দ...
জীৱনৰ প্ৰতিটো মুহূৰ্তত বিচাৰো
প্ৰিয়জনৰ মৰম, প্ৰতিশ্ৰুতি, স্পৰ্শ,
আমি অজস্ৰ বিচাৰো জীৱনৰ পৰা...
কিন্তু প্ৰাপ্তিয়েই জানো শেষ কথা!
অপ্ৰাপ্তিৰ মাজতো থাকে সুখৰ চিকমিক
থাকে, জীয়াই থকাৰ হাবিয়াস...।
আমি আগুৱাই যাব লাগিব
সপোন ভঙা-গঢ়াৰ স্মৃতি বুকুত লৈ ।
জীৱন ডায়েৰীৰ অনাগত পৃষ্ঠাবোৰ
পুনৰকৈ সজোৱাৰ মানসেৰে... ।

## জোনাকত এমুঠি সেউজীয়া গান

— নীহাৰিকা ফুকন
প্ৰাক্তন ছাত্ৰী

ৰৌদ্ৰোজ্জ্বল সূৰ্যৰ জেউতী আলোত
প্ৰাণ পাই উঠে শেৱালীৰে সখী লতা
মায়াময়ী জোনাকত।
স্নিগ্ধতা আৰু শুভ্ৰতাৰে সিক্ত
এই মায়াময়ী আবিৰত
জীৱনৰ হি উঠে অংকুৰে
সাৰ পাই উঠে হৃদয়ত
এমুঠি সেউজীয়া গান।
প্ৰতিটো কল্লোলিত সপোনৰ তন্দ্ৰা ভাগে
টোপ্ টোপ্ নিজৰৰ ঝংকাৰত
জোনাকৰে সখী লতা
আমোদিতা শেৱালীৰ সুবাসত।
সপোনবোৰ ক্ৰমে অংকুৰ হয়
মোহৰৰ দেওঁলৈ...
য'ত আছে সেউজীয়াৰ পথোৱে
সোণালী আৱেগৰ ধূসৰ আচ্ছাদন।
আচ্ছাদিত এই সপোনবোৰ
ক্ৰমে ঝপোৱালি হয়...
পশ্চিমৰ আকাশত।
ঝপোৱালি সপোনবোৰ লঠঙা হয়
শীতৰ সেমেকা প্ৰহৰত
সৰাপাতৰ অশ্ৰুসিক্ত নিনাদত।
লঠঙা সপোনবোৰ ক্ৰমে
সেউজীয়া হয়...
চঞ্চলা বৰ্ষাৰ ছন্দৰে নৃত্যত
সেউজীয়াৰ সুবাসত মত্ত
বসন্তৰ আগমনত
স্বৰ্ণাভ জেউতী কিৰণত।

## আহিবাচোন এপাক আমাৰ গাঁৱলৈ

— জিমণি হাজৰিকা
পঞ্চম ষাণ্মাসিক

আহিবাচোন এপাক
আমাৰ গাঁৱলৈ...
চৌপাশে প্ৰকৃতিৰ মনোমোহা
ৰূপ উপভোগ কৰিবলৈ...
বিশাল আকাশ...
নিৰ্মল দিচাঙৰ পানী...
এফালে চৰাই-চিৰিকতিৰ মাত
আনফালে কোনোবা ডেকাৰ
গাভৰুৰ মন চুই যোৱা বাঁহীৰ সুৰ


আহিবাচোন এপাক
আমাৰ গাঁৱলৈ...
কৃষকৰ হাতত ন-প্ৰাণ পাই উঠা
পথাৰখন চাবলৈ...
সোণগুটিৰে উপচি পৰা পথাৰত
দাৱনিৰ কিমান ব্যস্ততা!
আহিবা তুমি...
মিচিং গাভৰুৰ ঐনিতম শুনিবলৈ
কাষত কলহ লৈ নদীৰ পানী
নিবলৈ অহা কনেংহঁতৰ
হাঁহিৰ খিলখিলনি চাবলৈ...।
আহিবাচোন এপাক
আমাৰ গাঁৱলৈ...
বাৰিষা বানে উপচি পৰা পথাৰত
বাইহঁতে জাকৈৰে মাছ ধৰা চাবলৈ
পুঠি, মলিহনা কিমান যে মাছ!
আহিবা নে তুমি ??

বিস্ফোৰণ .......

## এমুঠি বেঁচা তেজৰ গোন্ধ

— শ্ৰীমতী পাপৰি বড়া
স্নাতক পঞ্চম ষাণ্মাসিক

আবেলিৰ আকাশত ধোঁৱা
সন্ত্ৰাসবাদীৰ গানৰ
জ্বলি উঠা ৰক্তিম শিখা।
বিস্ফোৰণৰ ক'লা ধোঁৱাৰ লগত
নিৰীহ সহজনৰ বুকুৰ মাজেৰে
বৈ যোৱা বেঁচা তেজৰ গোন্ধ।
এতিয়া চাৰিওফালে কেৱল
বিস্ফোৰণৰ প্ৰতিধ্বনি।
মাথোঁ তলত পৰি ৰৈছে
নিৰীহ লোকৰ ছেদেলি-ভেদেলি
হৈ যোৱা দেহৰ অংশ।
চাৰিওফালে বিয়পি পৰিছে
সন্ত্ৰাসবাদীৰ হাতত বলি হোৱা
আপোনজনৰ হিয়া ভঙা কান্দোন।
নালাগে আমাক নিৰীহৰ
প্ৰাণৰ ঘোঁচদি শান্তি।
নালাগে নিৰ্দোষীৰ বেঁচা মঙহৰ
বেঁচা গোন্ধ .........
সন্ত্ৰাসবাদীৰ বোমা বিস্ফোৰণেৰে
আমাক শান্তি নালাগে,
আমাক শান্তি লাগে.........
মানুহৰ মাজত মানৱতা, নৈতিকতা
আৰু সহানুভূতিশীল মনোভাৱেৰে।



## আঘোণ

— পৰিণীতা চাংমাই
চতুৰ্থ ষাণ্মাসিক

আঘোণ...
আঘোণ তই আকৌ আহিলি
তোক লৈ কৃষকৰ অন্তহীন সপোন
মিল মিল সেউজ দাৱনীয়ে
তোৰ বুকুৰ উপত্যকা সহায়
সিহঁতে ৰচে এবছৰীয়া
জোৰা-টাপলিৰ সপোন।
ক্ষুধাৰ তাড়নাত সিহঁতে তোৰ প্ৰেমত পৰে
সিহঁতৰ আশা...
সেউজীয়া কৰাৰ তোৰ বুকুৰ উপত্যকা
সিহঁতৰ কল্পনা...
ধান হ'ব বছৰটো খোৰাকি।
সোণোৱালী পথাৰৰ সপোন
জমিদাৰে কাঢ়ি নিলে
কান্দত পেঁচৰী আৰু হাদয়ত
এক অন্তহীন হতাশা লৈ
ঘৰমুৱা কৃষক
আঘোণ... তই আকৌ আহিলি!


## শৰতৰ সন্ধ্যা

— মৌচুমী বৰুৱা

শৰতৰ সন্ধ্যা
মই বৰ আত্মাভিমানী হৈ পৰো
মোৰ হাতৰ মুঠিত কেৱল
ধৰি ৰাখিব বিচাৰো
সন্ধ্যাৰ শেৱালীৰ সুবাস
মই অহংকাৰী হৈ পৰো
কাণপাতি শুনো
জোনাকীৰ সংগীত...
উমলি-জামলি হয় মোৰ হৃদয়
নমাই আনো
আকাশৰ জোন-তৰা।
তিকাফুলৰ দৰেই
হালধীয়া হৈ পৰে মোৰ
সপোনবোৰ...
সুখৰ আধাৰ গঢ়ো মই
পাহাৰ গঢ়ো...
মই বৰ আত্মাভিমানী হৈ পৰো।

## নিষ্প্ৰাণ

— ৰঞ্জুমণি বড়া



মোৰ জীৱনৰ সেউজীয়া চঞ্চলতাবোৰ
হেৰাল কৃচিতে
প্ৰাপ্তি হ'ল মোৰ অপাৰ মৌনতা
আৰু তাৰ মাজতেই নিৰৱতা।
মই আজি অসুস্থ, ভীষণ অসুস্থ
মাথোঁ বুকুত কঢ়িয়াই লৈ ফুৰিছো
যন্ত্ৰণা... কেৱল যন্ত্ৰণা
নিৰৱতাই যে কঢ়িয়াই আনিছে
মোৰ জীৱনলৈ এক দুৰ্গম অধ্যায়
যিটো জীৱনত সুখবিহীনতাইও
মোক কান্দিব নোৱাৰে অসুখী
উন্মুক্ত কান্দিব নোৱাৰে
মোক সহস্ৰ আকুল আহ্বানেও...
মোৰ এই নিৰৱতাৰ মাজতেই
বলিছে এজাক কাল-ধুমুহা
হাজাৰজনৰ তীব্ৰ ধ্বংসনাই মাথোঁ
মোক কৰি তুলিছে কঠোৰতৰ...।


# বহাগৰ ছবি

— গীতিমণি বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক

নিষ্প্ৰাণ হৈ যাব ধৰা কৃষ্ণচূড়াই
আকৌ ঠন ধৰি উঠিছে ওজস্বী হৈ
ন-কৈ ফুলা আম ফুলৰ গোন্ধে
আৱৰি ধৰা গধূলিবোৰত তোতালালি নামি আহিছে
বসন্তৰ এধানি জোনাক।
আৰু কৰাল ভাঙি ভাঙি বতাহ এজাকে
তাঁতবাটি বজাইছিল ৰঙা আঁচুৰ হৃদয়...।
নিশাৰ আন্ধাৰত মন গহনৰ গভীৰ বনৰ কাঁইটীয়াত
বিষন্ন কেতেকীৰ বিনানি...
টোপাল টোপালকৈ যাতনা সৰিছে...
নিদ্ৰাৰ সঁফুৰাত ছাটি ফুটি কৰি
নিলাজী চ'তৰ লঠিঙা বতৰে জনালে ব'হাগৰ খবৰ।
সেউজী অৰণ্যৰ নিজান কোণত উশাহী বতাহত
চেনেহীৰ খোপাত কপৌ ফুলিছে।
বহঁমথুৰিয়ে ৰঙাই তোলে তৃষ্ণাৰ্ত অধৰ।
চ'তৰ ধূলিবোৰ মালিয়তিৰে ধাৰি-তোকাখি
সকলোৰে ব'হাগীক আদৰিছে
মুৰীয়া আঁহতৰ তলত।

# মই হেৰাই যাব বিচাৰো

— ৰূপালি চেতিয়া



নিশা হলে ক'ত হেৰাই যায়
আকাশৰ নীলাবোৰ.........
তুমি জানানে ?
জোনাকৰ শুভ্ৰ বুকু ভেদি
তুমি মোক লৈ যাব পাৰিবানে
সেই নীলিমাৰ মাজলৈ.....
যত মই ৰচিব পাৰোঁ
বুটাবছা নীলা সপোন !
অথবা আঁউসীৰ আন্ধাৰ ফালি
তুমি মোক দিব পাৰিবানে
হেৰাই যোৱা নীলাবোৰৰ সন্ধান
যাৰ নীলা আবেশেৰে
নীলাভ হব মোৰ শেঁতা কলিজা
যদি নোৱাৰা .....
তেন্তে বুকুৰ পৰাই
অলপতি নীলা ছটিয়াই দিয়া
মোৰ ৰংপোৱা দেহাটলৈ......।
কাৰণ......
কাৰণ মই হেৰাই যাব বিচাৰো
তোমাৰ বুকুৰ সুনীল আকাশখনৰ
বিশালতাত ------
যিদৰে নিশা হলে হেৰাই যায়
আকাশৰ নীলাবোৰ ........!!!

# দুখৰ মাজত সুখৰ এটি আশা....


— টিংকি বৰা
স্নাতক পঞ্চম ষাণ্মাসিক

জীৱন.......
জীৱনৰ অৰ্থ; জীৱনৰ উপলব্ধি ....
অকলোবোৰৰ বৰ খন্তেকীয়া....
জীৱনৰ গতিত মোৰ সুখবোৰ
দুখ হৈ পৰিল ....
কচুপাতৰ পানীৰ দৰে জীৱনটো।
চাৰিওফালৰ পৰা আগুৰি ধৰিছে
দুখবোৰে মোক....।
মই এজনী দুখত নিমজ্জিতা হোৱা
সাধাৰণ ছোৱালী.....
তথাপিও নিঃশেষ হৈ যোৱা নাই
সুখ পোৱাৰ আশা.....
উমি উমি জ্বলে আশাবোৰ বুকুতে
নাজানো কিয় হঠাতে....
পাখি মেলি উৰে মন আকাশত
নাজানো কিনো উলাহত।
মনে মনে ভাবো....
দুখবোৰ নিশ্চয় শেষ হ'ব এদিন,
অন্ধকাৰেই যেনেদৰে আবিষ্কাৰৰ মূল
ঠিক একেদৰে দুখ সুখৰেই
প্ৰতিচ্ছবি....

আগবাঢ়িছোঁ এই কথাকে ভাবি ।
নাজানো কি ৰং আনে
সময়ে মোৰ জীৱনলৈ ...
তথাপি এটি আশা,
মোৰ জীৱনত এদিন সুখৰ পুৱা হ'ব ।
সুখে মোৰ জীৱন বোৱাই তুলিব
এই আশাৰে দুখবোৰ সহ্য কৰিছো
এসময় ........ ।

---

## হীৰুদাৰ এমুঠি কবিতাৰ পংক্তি...



- "হাতৰ মুঠিতেই জাল / মেলি দিলেই ধৰি মাছ /
স্মৃতিৰ ৰঙীন ৰুমাল; / মোৰ চিৰদিনেই চিৰকাল।"

- "তুমি চকু মেলি দিলা
মনমনকৈ বহি থাকিল ক'লা দুটা পখিলা!"

- "ৰূপালী ৰং তুলিত লাগিছে, বেয়া নেদেখি, লাগক
সোণালীমিনি মাটি নিদিবা, বুকুজুৰি বি থাকক।"


- "মৃত্যু ওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিলোঁচ ভাস্কৰ্য!"

# ছোটগল্প

আকারেতে ছোট,
বৃহত মন,
সমাপ্তিতে অতৃপ্তি
— সেটাই ছোটগল্প

## অন্তহীন অপেক্ষা

— ৰঁদালি চেতিয়া
স্নাতক পঞ্চম যাণ্মাসিক



"আমাক হিংসা নহয়, শান্তি লাগে" "নিৰীহৰ ওপৰত হত্যা-যজ্ঞ বন্ধ কৰক" — স্ল'গানেৰে হাতত ডাঙৰ-ডাঙৰ প্লে'-কাৰ্ড লৈ শতাধিক পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰীৰে এক বিৰাট সমদল। প্ৰতিবাদী মানুহবোৰৰ উদ্দেশ্যে চিঞৰ শুনি বিচনাৰ পৰা উঠি আহিল মালিতা। খিৰিকিৰ মুখতে ৰৈ তাই চাই ৰ'ল আগবাঢ়ি অহা সমদলটোৰ মানুহবোৰৰ ক্ষুব্ধ মুখবোৰলৈ।

হায়! শান্তিকামী জনতা!! ... এটি দীঘল হুমুনিয়াহ কাঢ়িলে তাই। নিজকে প্ৰশ্ন কৰিলে, এনেকৈ জানো শান্তি আহিবনে??? ..... পাহৰিব খুজিলেও পাহৰিব নোৱাৰা স্মৃতিবোৰে আকৌ এবাৰ খুন্দিয়াই থৈ গ'ল তাইৰ কলিজাৰ ভিতৰখন ... আৰু চাৰিটা বছৰেই পাৰ হৈ গ'ল !!

৩০ অক্টোবৰ। বাবাৰ জন্মদিন। কিমান যে স্ফূৰ্তি সেইদিনা। বাৰে বাৰে গেটলৈকে চাই আছে। কেতিয়ানো আহিব দেউতাকটো অফিচৰ পৰা। ইতিমধ্যে চুবুৰীৰ বন্ধু-বান্ধৱীবোৰ আহি পালেহিয়েই। সকলো

খেলাত ব্যস্ত। মাক নন্দিতাও পাকঘৰত। তাৰ ফৰমাইচতে বিবিধ খাদ্য সম্ভাৰৰ আয়োজন। কিন্তু বাবাৰ মনটোহে অস্থিৰ। কাৰণ আত্মীয়-বৰ্গৰ কোনো আহি পোৱাহি নাই। দেউতাক আহিলেহে একেলগে হৈ তাৰ ধুনীয়া কেকটো আনিবলৈ পাৰিব। তাৰ আমনিয়ে লাগিছে ৰৈ ৰৈ। নন্দিতাইও কামৰ মাজে মাজে ঘড়ীটোলৈ চাইছে। অনুৰাগৰ আতিথ্যে পলম হ'ব পাৰে নে। হঠাতে গেটৰ মুখত স্কুটাৰৰ মাত শুনি তাই লৰি আহিল দুৱাৰমুখলৈ। অনুৰাগক ঘৰত সোমাবলৈকে নিদিলে। নন্দিতাইও একো নক'লে। হাত জোকাৰি মাথোঁ চিঞৰিলে "সোনকালে আহিবা"......

নন্দিতা আকৌ কামত ব্যস্ত হ'ল। খোৱা বোৱাৰ সকলো যা-যোগাৰ কৰি তাই অনুৰাগ আৰু বাবা অহালৈ অপেক্ষা কৰি থাকিল। সন্ধিয়া নামিলেই তাই বাৰে বাৰে ঘড়ীটোলৈ চাইছে। ইহঁতটো ইমান সময় আহি পাব লাগিছিল। বাবাটোৰ বৰ উৎপাত নহয়! ইটো লাগে, সিটো লাগে। অনুৰাগও কম নহয়! সময়বোৰ নাযায় নোপোৱায় যেন লাগিল তাইৰ। ল'ৰা-ছোৱালী কেইটাৰো জাগে আমনিয়েই

লাগিছে ।

আত বাজি গল । ইমান পৰ ------!
আজিৰ দিনটো আইৰ মাখোঁ অপেক্ষা কৰাতে হৈছে । হঠাৎ গেইট খোলাৰ শব্দ শুনি নন্দিতা দৌৰি আহিল বাহিৰলৈ । কিন্তু ..... সেয়াতো অনুৰাগহঁত নহয় । সিঁহতক চিনাকি লৰা ফুকন ।

বৌ, বজাৰত যাওঁতে বন্ধ হৈ আছে গম পাইছেনে ? দাদা ঘৰতে আছেনে বাৰু ?

অনুৰাগ ! বাবা !! নাই নাই, হ'বই নোৱাৰে । এক অজান আশংকাত বুকু কঁপি উঠিল নন্দিতাৰ । সিঁহত বাৰু ঠিকে ঠাকে ঘৰলৈ উভতিছেনে ? হৃদয়ৰ হাজাৰটা চিন্তাই অস্থিৰ কৰি তুলিলে তাইক ফুকনৰ উত্তৰ দিবলৈ তাই আৰু নৰ'ল ।

উন্মাদৰ দৰে তাই মাখোঁ দৌৰিছে তাইৰ মৰমৰ অনুৰাগ আৰু বাবাক নিৰাপদে ঘূৰাই আনিবলৈ ---- "মই যে আছো অনুৰাগ ---- তোমালোকৰ একো হ'ব নোৱাৰে" ------.

ক'লা ধোঁৱাই ছানি ধৰিছে চৌপাশ ---- বেঁচা তেজ আৰু পোৰা নৰ মঙহৰ গোন্ধ। মিহলি ধোঁৱাবোৰ ফালি আগবাঢ়ি গৈছে নান্দিতা। এটা জীৱন্ত মূৰ্ত্তিৰ দৰে চৌদিশে কান্দোনৰ ৰোল ---- হঠাৎ থমকি ৰ'ল তাই ---- হয় --- এয়া অনুৰাগ ---- বাস্তৱতে এয়া বাবায়েই হয় --- তাইৰ ভুল হোৱা নাই ---- এয়া তাইৰ মৰমৰ অনুৰাগ আৰু কলিজাৰ এফাল তাইৰ পাঁচ বছৰীয়া সন্তান বাবাৰ অৰ্দ্ধদগ্ধ নিথৰ মৃতদেহ! বাউচি জুৰি কান্দিলে তাই ---- কিন্তু কোনে শুনিব তাইৰ কান্দোন? তাইৰ আৰ্তনাদ লীন হৈ গ'ল চৌদিশৰ কোলাহলৰ মাজত তেজৰ সোঁতবোৰত মিলি গ'ল তাইৰ চকুপানী। সকলো শেষ হৈ গ'ল নান্দিতাৰ ...... কিয় জীয়াই আছে তাই কিয়???

: মা, কিয় কান্দিছা?

: বাবা!! উচপ খাই উঠিল নান্দিতা। কিন্তু সেয়া যে বাবা নহয়। থৰথৰকৈ চকুপানী মচি তাই কোলাত তুলি ল'লে সপোনক। সপোন! হয়, এতিয়া এই সপোনেই হৈ পৰিছে তাইৰ সৰ্বস্বান্ত জীৱনটোৰ একমাত্ৰ সপোন। তাইৰ বুকু সুদা কৰি অনুৰাগ

আৰু বাবা ওচি যোৱাৰ দাৰেই এই সপোন নামৰ কণমানিটোৱে অনাথ কৰি ওচি গৈছিল তাৰ মাক - দেউতাক । জ্বলি ছাই হৈ যোৱা মাক দেউতাকক বিচাৰি নেপাই অসহায়ভাৱে স্থিৰ হৈ আছিল সপোন নন্দিতাৰ চাদৰৰ আঁচলত ধৰি । কান্দি - কান্দি ভাগৰি পৰা নন্দিতাই নিজকে প্ৰশ্ন কৰিছিল ---- "কেনেকৈ জীয়াই থাকিব তাই ?" তাৰ উত্তৰ হিচাপেই হয়তো নিজেই আহি ধৰা দিছিল সৰগৰ দেৱদূত স্বৰূপ এই শিশু । এটা সপোনৰ সমাধিতে যেন জন্ম হ'ল আন এটা সপোনৰ ! আৰু সেই সপোনকে আলফুলে সাৱটি জীয়াই আছে নন্দিতা সেই দিন ধৰি ।

ইতিমধ্যে হয়তো বহুদূৰ আগুৱাইছিলগৈ শান্তি পিয়াসী জনতাৰ সেই সমদলটো । তথাপি তাই আকৌ এবাৰ খিৰিকীৰে চাই পঠিয়ালে বাহিৰলৈ । শান্তি বিচাৰি ৰদ-ৰদে ঘূৰি ফুৰা মানুহবোৰলৈ তাইৰ মনে মনে পুতৌ লাগিল । শান্তি আহিব জানো কেতিয়াবা ? নাজানে তাই । নাজানে কোনেও ---- । অথবা মৃতকৰ পৰিয়ালক চৰকাৰৰ


দিয়া লাখটকীয়া স্মৃতিপুৰলৈ জানো পূৰ কৰিব পাৰিব আপোনজনৰ মৃত্যুত শূন্য হৈ পৰা হৃদয়খন ?? নাই নোৱাৰে .... কাহানিও নোৱাৰে ! আজি সেই বাৰেষ্ঠুতো সপোনক বুকুত বান্ধি সেই কাল সন্ধিয়াটোৰ দৰেই আজিও অপেক্ষা কৰি আছে কান্তাই কাহানিও উভতি নহাৰ অপাৰেৰে উৰি যোৱা অনুৰাগ আৰু কাৰ্বেল ------ আজীৱন হৈ থকাৰ প্ৰতিশ্ৰুতিৰে .... !!

— ০ —

## উক্তি

❀ "যেতিয়াই পৃথিৱীৰ প্ৰথম পুৰুষ প্ৰথমবাৰ জ্ঞানচকু মেলি আলে সূৰ্যৰ কিৰণত জিকমিকাই উঠা কোনো সুন্দৰ আৰু ৰমণীয় দৃশ্যক লোভৰে চকুৰে চালে, নিজৰ মন মন্দিৰৰ চিত্ৰশালাত সুৰক্ষিত কৰিলে - তেতিয়াৰ পৰাই গল্পৰ জন্ম পালে।"

— সুদৰ্শন (হিন্দী সাহিত্যিক)



❀ "চুটিগল্প বিশুদ্ধ গীতিধৰ্মী কবিতা এটাৰ দৰে, ই কোনো সমস্যাৰ অৱতাৰণাও নকৰে, সমাধানো নিবিচাৰে। জীৱনৰ পৰিস্থিতি একোটাৰ উপস্থাপন মাথোন ইয়াৰ লক্ষ্য"। — ফ্ৰেংক অ' কনৰ

# আঁচা মৰম

— শোভাশ্ৰী ভূঞা
তৃতীয় ষাণ্মাসিক

কৰবী আৰু প্ৰৱৰী দুয়োজনী একে গাঁৱৰ লগৰ বান্ধৱী। দুয়োজনী নৱম শ্ৰেণীৰ ছাত্ৰী। দুয়োজনী একে লগে স্কুললৈ, স্কুলত একেলগে বহে আৰু ইজনীয়ে সিজনীক মনৰ সকলো কথা কয়। দুয়োজনীয়ে বিশ্বাসৰ মাজেৰে বন্ধুত্ব গঢ়ি তুলিছিল আৰু সেই বন্ধুত্বৰ এনাজৰীডাল চিৰযুগমীয়া কৰি ৰাখিব বুলি প্ৰতিশ্ৰুতি দিছিল। জীৱনৰ কণ্টকময় পথত কোনোদিনে কষ্টৰ সন্মুখীন নোহোৱাকৈ নিজৰ লক্ষ্যস্থানত উপনীত হোৱাটোৱেই দুজনী বান্ধৱীয়ে কামনা কৰিছিল। দুয়োজনী পঢ়া-শুনাত ভাল আছিল। সেইবাবে শিক্ষকসকলৰ লগতে গাঁৱৰ সকলো মানুহৰ মৰম আদৰ লাভ কৰিছিল।

কিন্তু সিহঁতৰ শ্ৰেণীলৈ নতুনকৈ অহা পাংখী নামৰ ছোৱালীজনীয়ে সিহঁতৰ মাজত গঢ় উঠা মৰম আৰু বন্ধুত্বক ভাল দেখা নাছিল। তাই পেটে-পেটে কৰবী আৰু প্ৰৱৰীৰ মাজত গঢ়ি উঠা বন্ধুত্বৰ এনাজৰীডাল কেনেকৈ ছিঙিব পাৰি তাৰেই উপায় চিন্তিবলৈ ধৰিলে। তাই লাহে লাহে কৰবীৰ হৈতে ফুৰিবলৈ ল'লে। প্ৰৱৰীয়েও কৰবীৰ লগ নেৰে। কেতিয়াবা প্ৰৱৰী স্কুললৈ

নাহিল। পাংখীয়ে কবৰীক প্ৰভৰীৰ পৰা কাহত বেয়া বেয়াকৈ লগাবলৈ ধৰিলে। প্ৰভৰীৰ স্কুলৰ-চাৰিও আৰু কিছুমান ঘৰৰো মিছা-বদনাম লগোৱাত কবৰীয়ে সেয়া সঁচা বুলি ভাবিলে আৰু প্ৰভৰীৰ পৰিবৰ্তে পাংখীৰ ইঙ্গিতে বান্ধৱী পাতিবলৈ ধৰিলে। তিহঁত দুজনীয়ে বন্ধুত্ব অতি গভীৰভাৱে গাঢ় তোলাৰ যি সপোন দেখিছিল সেয়া যেন হঠাতে ভাঙি-চুৰমাৰ হৈ গ'ল। তাই প্ৰভৰীক অবিশ্বাস কৰিবলৈ ধৰিলে আৰু এসময় পাহৰি যাবলৈ ধৰিলে। আগৰ প্ৰতিশ্ৰুতি বোৰো হয়তো কবৰীয়ে পাহৰণিৰ গৰ্ভত লোপ পাবলৈ দিলে।

কিন্তু প্ৰভৰীয়ে লাহে লাহে নিজকে খুউব অকলশৰীয়া যেন অনুভৱ কৰিবলৈ ধৰিলে। তাইৰ বান্ধৱ সপোনবোৰো যেন আকাশৰ কলা ডাৱৰৰ মাজত হেৰাই গ'ল। প্ৰভৰীয়ে লক্ষ্য কৰিলে যে সঁচাকৈয়ে দেখোন কবৰী তাইৰ পৰা ফালৰি কাটি চলিবলৈ ধৰিছে। তাই প্ৰভৰীক দেখিলেও নেদেখা ভাও ধৰে। প্ৰভৰীয়ে মাতিলেও নুশুনা ভাও জুৰি উঠি যায়। কবৰীয়ে এতিয়া পাংখীৰ সৈতে বন্ধুত্ব গাঢ় কৰিছে। কিন্তু প্ৰভৰী, তাই

যে এনেকুৱা এটা ঘটনা কোনোদিনে কল্পনা কৰা নাছিল। তাইৰ অন্তৰখন বেদনাত আকুল হৈ পৰিছে। তাইৰ কুমলীয়া সহজ-সৰল অন্তৰখনৰ সঁচা সপোনবোৰৰ মাজত যেন আন্ধাৰৰ এজাক ধুমুহা-বতাহৰ মাজেৰে ওলাই অহা কলা-ডাৱৰে ঢাকি ধৰিলে খুউব কিৰিলি-চেৰেকনি মাৰিবলৈ ধৰিলে। কিন্তু তাইৰ অন্তৰৰ দুখ-বেদনাক কোনেও বুজি পাব কৰবীয়ে অনুভৱেই নকৰিলে।

আচলতে পাংখী নামৰ ছোৱালীজনী বহুত অহংকাৰী আৰু হিংসাকুৰীয়া আছিল। আনৰ মাজত গঢ়ি উঠা বন্ধুত্ব দেখি সিঁহতৰ মাজত বেয়া লগাই দিয়াটোৱেই যেন তাইৰ স্বভাৱ আছিল। সেয়ে শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়েই তাইক বৰ ভাল নাপাইছিল। কিন্তু কৰবীয়ে পাংখীৰ বিষয়ে কথাখিনি জানিও নজনা, নুবুজাৰ দৰে হৈ পৰিল। তাই এবাৰো নাভাবিলে যে এয়া তাইৰ প্ৰতি পাংখীৰ সঁচা মৰম নহয়। এয়া মাত্ৰ ঠগ, প্ৰৱঞ্চনাহে।

এতিয়া কৰবী আৰু পাংখী গলে-গলে লগা বান্ধৱী আৰু পুৰৱী, তাইয়ে খুউব অকলশৰীয়া। তাইৰ মনত অতীতৰ স্মৃতিবোৰে বৰকৈ আমনি কৰিবলৈ ধৰিলে। তাই

আগতে কৰবীৰ সৈতে খেলা-ধুলা কৰে, একেলগে ফুৰে আৰু আনন্দত উমঙ্গ হৈ কটোৱা প্ৰতিটো পল-অনুপল তাইৰ আজি বৰকৈ মনত পৰিছে, এইবোৰেই তাইৰ মানসপটত খুন্দিয়াই-ভুকুৱাই থাকিবলৈ ধৰিলে। এইবোৰ চিন্তাৰ মাজতো তাই স্কুললৈ অহা-যোৱা কৰি আছে। যেতিয়া কৰবী আৰু পাংখীয়ে ৰং-ধেমালি কৰি থাকে তেতিয়া পৃথবীয়ে আমন-জিমনকৈ গছৰ তলত বহি থাকে আৰু সেই জিৰণিৰ নিৰিবিলি সময়খিনিতো তাইৰ চকুৰ পৰা দুধাৰি বেদনাৰ উপত চকুলো বৈ আহে।

এদিন স্কুলত পানীখোৱা চুটীত কৰবী আৰু পাংখী পানী খাবলৈ গৈছে আৰু পৃথবীয়ে অকলশৰে পানী খাবলৈ গৈছে। কৰবীয়ে পানী খায় থকা অৱস্থাত হঠাতে মূৰ্চ্ছা গৈ কৰবী মাটিত ঢলি পৰিল। তেনেতে জিৰণি সময়ো ঘন্টাও পৰিল। আন ছাত্ৰ ছাত্ৰী স্কুলৰ ভিতৰলৈ গ'ল লগতে পাংখীয়েও নেদেখা হৈ ভুলি আন ছাত্ৰ ছাত্ৰীৰ ভীৰত সোমাই গ'ল। তেতিয়া পৃথবীয়ে পাংখী গুচি যোৱাৰ পাছত চালে আৰু কৰবীৰ এনে অৱস্থা দেখি তাই খিৰবোৰ থাকিব নোৱাৰি তাইৰ কাষ পালেগৈ আৰু মোনকালে তাইক তুলি লৈ স্কুলৰ শিক্ষক

শিয়ৰিতীৰ ওচৰলৈ লৈ গল। সকলোৱে প্ৰতিপাল কৰাত কিছু সময়ৰ পাছত তাই জ্ঞান ঘূৰাই পালে। তেতিয়া তাই চকু মেলি দেখিলে তাইৰ ওচৰত পাখীৰ পৰিয়ালে শুইছে। তাই পুৰৱীক দেখি উচুপি উচুপি কান্দিবলৈ ধৰিলে আৰু পুৰৱীৰ ওচৰত তাই কৰা ভুলৰ বাবে ক্ষমা বিচাৰিলে। দুজনীয়ে - নিজনীক সাৱটি ধৰি কান্দিবলৈ ধৰিলে।

তেতিয়াহে কৰবীয়ে বুজি পালে যে কাৰোবাৰ কথাত সহজে পাতিয়ন যোৱাটো ভুল। নিজৰ বিবেক মতে চলাটোহে উচিত। তাই অনুভৱ কৰিলে যে পাখী তাইৰ প্ৰকৃত বান্ধৱী নহয়, তাই মাথো বন্ধুত্ব কৰিলে খেলা কৰিবলৈ অহা প্ৰবঞ্চকহে। এয়া পুৰৱীৰ কৰবীৰ প্ৰতি থকা সঁচা মৰম আছিলতে। কৰবীয়ে তেতিয়াৰ পৰা তাইৰ প্ৰকৃত বান্ধৱী আৰু সিঁহতে পুনৰ বন্ধুত্বৰ এনাজৰীডাল কোনেও ছিঙিব নোৱাৰাকৈ নিকপকপীয়াকৈ বান্ধি নিজৰ লক্ষ্যস্থানলৈ আগুৱাই গল। তেতিয়াহে কৰবীয়ে বুজি পালে যে সঁচা বন্ধুত্ব গঢ়িবলৈ হলে মানুহক লাগে কেৱল গভীৰ বিশ্বাস আৰু সঁচা মৰম।

~ o ~